অৱক্ষয়, ভৱিষ্য ব্যৱস্থা আৰু সঞ্চিত পুঁজি

Depreciation, Provision and Reserve

7

সংগতি নীতি মতে (Matching Principle) এটা নিৰ্দিষ্ট সময়ৰ আয়ৰ বিপৰীতে সেই সময়ৰ খৰচবোৰ দেখুৱাব লাগে। ই শুদ্ধ লাভ বা লোকচান নিৰূপণত নিশ্চয়তা প্ৰদান কৰে। যদি কোনো এবিধ খৰচ এনেকুৱা, যাৰ পৰা উদ্ভুত আয় কেইবা বছৰ ব্যাপি হৈ থাকে, তেন্তে সেই ব্যয়ক খৰচ কৰা বছৰটোত অকলে দেখুৱালে যুক্তি সংগত নহ'ব। আনহাতে যিমান বছৰলৈ সেই ব্যয়ৰ উপকাৰ পোৱা যায়, সেই আটাইকেইটা বছৰত মুঠ ব্যয়টো বিতৰণ (spread) কৰি দেখুৱাব লাগে। অবক্ষয়, যিটো এই অধ্যায়ৰ প্ৰধান বিষয়বস্তু, তেনে এটা অবস্থাৰ লগত জড়িত। ইয়াৰোপৰি, কিছুমান বিশেষ খৰছ সঠিককৈ (certainity) সদায় নিৰূপণ কৰিব নোৱাৰি। সংৰক্ষণশীলতাৰ নীতি মতে, তেনে খৰছবোৰ অবজ্ঞা কৰাৰ পৰিৱৰ্তে ভৱিষ্যতৰ বাবে যথেষ্ট পৰিমাণে চলিত বছৰৰ লাভৰ পৰা ব্যৱস্থা কৰি ৰাখিব লাগে। তাৰোপৰি, ব্যৱসায়ৰ বিকাশ, বৃদ্ধি বা ভৱিষ্যতৰ আন বিশেষ প্ৰয়োজন পূৰণৰ বাবে লাভৰ এটা অংশ সঞ্চিত পুজি হিচাপে ৰাখিব লাগে। এই অধ্যায়টো দুটা পৃথক বিষয়ৰ লগত জড়িত। সেয়েহে ইয়াত দুটা পৃথক ভাগত উপস্থাপন কৰা হৈছে। প্ৰথম ভাগটোত অবক্ষয় আৰু দ্বিতীয়টোত ভৱিষ্য ব্যৱস্থা আৰু সঞ্চিত পুঁজিৰ বিষয়ে আলোচনা কৰা হৈছে।

শিকাৰ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তোমালোকে -

- অৱক্ষয়ৰ অৰ্থ বাখ্যা কৰিবলৈ সমৰ্থ হ'বা,
- অৱক্ষয় ধাৰ্য্য কৰাৰ প্ৰয়োজনৰ বিষয়ে কব পাৰিবা আৰু ইয়াৰ কাৰণবোৰ চিনাক্ত কৰিব পাৰিবা।
- সৰল ৰৈখিক আৰু অৱলোপৰ মূল্য পদ্ধতিৰ ব্যৱহাৰ কৰি অৱক্ষয় উলিয়াব পাৰিবা।
- অৱক্ষয় আৰু সম্পত্তি বিক্ৰী সম্পৰ্কীয় লেনদেনবোৰ লিখি ৰখা
- ভৱিষ্য ব্যৱস্থা আৰু সঞ্চিত পজি ৰখাৰ অৰ্থ আৰু উদ্দেশ্য বাখ্যা কৰা
- ভৱিষ্য ব্যৱস্থা আৰু সঞ্চিত পুজিৰ মাজৰ পাৰ্থক্য লিখা।
- গোপন পুজিকে ধৰি বিভিন্ন ধৰণৰ ব্যৱস্থা আৰু পুঁজিৰ প্ৰকৃতি বাখ্যা কৰা আদি।

শাখা - 1

7.1 অৱক্ষয় (Depreciation)

তোমালোকে ইতিমধ্যেই জানিলা যে, স্থায়ী সম্পত্তিবোৰ এনে সম্পত্তি যিবোৰ এটাতকৈ বেছি হিচাপ বৰ্ষৰ বাবে ব্যৱহাৰ হয়। স্থায়ী সম্পত্তি (ব্যৱহাৰিক ভাষাত অৱক্ষয়ীত সম্পত্তিও কোৱা হয়) এবাৰ কাৰ্যত ব্যৱহাৰ হোৱাৰ লগে লগে মূল্য কমি যায়। 'অৱক্ষয়' পদটোৱে ইয়াৰ ব্যৱহাৰযোগ্য সময় অতিবাহিত হোৱা বা অপ্ৰচলন আদিৰ বাবে স্থায়ী সম্পত্তিৰ মূল্য কমি যোৱাকে বুজায়। আন কথাত, যদি এটা ব্যৱসায় প্ৰতিষ্ঠানে সম্পত্তি ক্ৰয় কৰি উৎপাদন কাৰ্যত ব্যৱহাৰ কৰে, লগে লগেই এই যন্ত্ৰপাতিৰ মূল্য কমিব ধৰে। যদিও, এই যন্ত্ৰপাতি উৎপাদনত ব্যৱহাৰ কৰা নহয় তথাপি সময় অতিবাহিত হোৱাৰ লগে লগেই বা নতুন মডেল আগমনৰ বাবে, এই যন্ত্ৰপাতিৰ মূল্য কমি যায়। ইয়ে দেখুৱাই দিয়ে যে স্থায়ী সম্পত্তিবোৰৰ মূল্য ক্ৰমে কমি গৈ থাকে যাক অৱক্ষয় বুলি কোৱা হয়।

হিচাপ কৰণৰ ভাষাত ব্যৱহাৰৰ বাবে বা সময় অতিবাহিত হোৱাৰ বাবে স্থায়ী সম্পত্তিৰ মূল্যৰ যিটো অংশ খৰচ (expired) হয় তাকে অৱক্ষয় বোলে। সেয়েহে, অৱক্ষয় হৈছে এটা হিচাপ কালৰ ভিতৰত হোৱা আয়ৰ বিপৰীতে দেখুৱা এবিধ খৰচ। উদাহৰণ স্বৰূপে 2005 চনৰ 1 এপ্ৰিলত 100000 টকাৰে এটা যন্ত্ৰপাতি কিনা হ'ল আৰু সেই যন্ত্ৰটোৰ আনুমানিক জীৱনকাল 10 বছৰ। তেন্তে এই যন্ত্ৰটো 2015 চনৰ 31 মাৰ্চলৈকে ইয়াক ব্যৱহাৰ কৰিব পাৰিব। ইয়াৰপৰা তুমি বুজিলা যে এই 100000 টকাখিনি 2005 চনৰ বাবে মুলধনী ব্যয়। যেতিয়া আয়ৰ বিবৃতি (লাভ আৰু লোকচান হিচাপ) প্ৰস্তুত কৰা হয়, তেন্তে 2005 চনৰ আয়ৰ বিপৰীতে গোটেই 10,0000 টকা দেখুৱাব নোৱাৰি। কাৰণ এই মুলধনী ব্যয়ে 10 বছৰ ধৰি উপকাৰ দিব বুলি আশা কৰা হৈছে। কেৱল মাত্ৰ এবছৰৰ কাৰণে নহয়। সেয়েহে মুঠ খৰচৰ কেৱলমাত্ৰ এটা অংশ, 10,000 টকা (10,000 টকাৰ $^1/_{10}$ অংশ) 2005 চনৰ আয়ৰ বিপৰীতে ধৰাটো যুক্তিসংগত হ'ব। এই অংশটোত ব্যৱহাৰৰ বাবে বা সময় অতিবাহিত হোৱাৰ বাবে স্থায়ী সম্পত্তিৰ মূল্য কমি যোৱা বা লোকচান হোৱা বিষয়ে আলোচনা কৰা হৈছে। ইয়াকে অৱক্ষয় বুলি কোৱা হয়। যিহেতু অৱক্ষয়ৰ পৰিমাণটো লাভৰ বিপৰীতে দেখুৱা হয়, সেয়েহে ইয়াক লাভ আৰু লোকচান হিচাপত ডেবিট কৰি দেখুৱা হয়।

7.1.1 অৱক্ষয়ৰ অৰ্থ (Meaning of Depreciation)

স্থায়ী সম্পত্তিৰ মূল্য স্থায়ী ভাবে, একেৰাহে আৰু ক্ৰমে ক্ৰমে কমি যোৱাকে অৱক্ষয় বুলিব পাৰি। ই সম্পত্তিভোগ কৰাৰ বাবে হোৱা ব্যয়ৰ ওপৰত ভিত্তি কৰা হয় বজাৰ দৰৰ ওপৰত নহয়।

Institute of Cost and Management Accounting, London মতে (ICMA) "সম্পত্তিৰ প্ৰকৃত মূল্য ব্যৱহাৰ বা সময় অতিবাহিত হোৱাৰ ফলত হ্ৰাস হোৱাকেই অবক্ষয় বোলে।" ("The depreciation is the dimunition in intrinsic value of the asset, due to use and/or lapse of time") ভাৰতীয় চনদপ্ৰাপ্ত হিচাপৰক্ষকৰ প্ৰতিস্থান [The Institute of Chartered Accountant of India (ICAI] ৰ হিচাপ মানক-6 অত অৱক্ষয় সংজ্ঞা দিছে "অৱক্ষয় হ'ল অৱক্ষয়যোগ্য সম্পত্তিৰ মূল্য ব্যৱহাৰ, সময়ৰ গতিৰ, অপ্ৰচলন, বজাৰ পৰিৱৰ্তন আদিৰ ফলত হোৱা হ্ৰাস, নষ্ট বা অন্য ক্ষতি আদিৰ নিৰূপণ। সম্পত্তি এটাৰ ব্যৱহাৰযোগ্য জীবনকালৰ ভিতৰত ইয়াৰ সম্পূৰ্ণ ব্যয়ৰ বিতৰণেই হৈছে অৱক্ষয়ৰ উদ্দেশ্য।

কোঠালি -1

হিচাপ কৰণৰ মান - 6, (সংশোধিত) অবক্ষয়

AS-6 (Revised) Depreciation

- অৱক্ষয় হ'ল "অৱক্ষয়যোগ্য সম্পত্তিৰ মূল্য ক্ষয় যোৱা, ভোগ কৰা, বা আন লোকচানৰ এটা জোখ, যিটো ব্যৱহাৰ, সময়ৰ গতিৰ, বা কাৰিকৰী আৰু বজাৰ পৰিৱৰ্তনৰ বা অপ্ৰচলনৰ বাবে উদ্ভৱ হয়। সম্পত্তিৰ আনুমানিক জীৱন কালৰ প্ৰতিটো হিচাপ বৰ্ষৰ বাবে অৱক্ষয়ৰ পৰিমাণক বিতৰণ কৰা হয়।
- অৱক্ষয়ে এটা ব্যৱসায়ৰ বিত্তীয় অৱস্থা আৰু কাম-কাজৰ ফলাফল নিৰূপণ আৰু উপস্থাপনত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। অৱক্ষয়যোগ্য টকাৰ পৰিমাণৰ ওপৰতেই প্ৰতি হিচাপ বৰ্ষৰ বাবে অৱক্ষয় ধাৰ্য কৰা হয়।
- এই অৱক্ষয়ৰ বিষয়বস্তু বা ইয়াৰ ভেটি হ'ল ঃ অৱক্ষয়যোগ্য সম্পত্তি যিটো ঃ
    - এটাতকৈ বেছি জীৱন কালৰ বাবে ব্যৱহাৰ হয়।
    - সীমিত ব্যৱহাৰযোগ্য জীৱন কাল থাকে।
    - ইয়াক ব্যৱসায়ে উৎপাদনৰ বাবে, পণ্য বা সেৱা যোগানৰ বাবে, আনক ভাৰা দিবৰ বাবে বা প্ৰশাসনিক উদ্দেশ্যত ব্যৱহাৰৰ বাবে ৰাখে। ইয়াক বিক্ৰীৰ বাবে ব্যৱসায়ত ৰখা নহয়।
- তিনিটা উপাদানৰ ওপৰত অবক্ষয় নিৰ্ভৰ কৰে ঃ- ব্যয়, ব্যৱহাৰযোগ্য জীৱনকাল আৰু প্ৰকৃত আদায়ীকৃত মূল্য।
- স্থায়ী সম্পত্তিৰ বাবে হোৱা ব্যয় হ'ল "সম্পত্তি আহৰণৰ বাবে হোৱা ব্যয়, প্ৰতিস্থাপন ব্যয়, আনুসংগিক ব্যয় আৰু অবক্ষয়যোগ্য সম্পত্তিৰ উন্নয়ন ব্যয়।
- সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱনকাল হ'ল "যিটো সময়ৰ বাবে সম্পত্তিটো ব্যৱহাৰ কৰিব পৰা যাব বুলি আশা কৰা হয়।"

- অৱক্ষয়ৰ পৰিমাণ উলিয়াবলৈ দুটা প্ৰধান পদ্ধতি ব্যৱহাৰ কৰা হয়।
  - সৰল ৰৈখিক পদ্ধতি
  - অৱলোপিত মূল্য পদ্ধতি।
- প্ৰকৃত পদ্ধতি নিৰ্দ্ধাৰণ কৰিবৰ বাবে তলৰ উপাদানবোৰৰ ওপৰত নিৰ্ভৰ কৰে ঃ
  - সম্পত্তি বিধৰ ধৰণ ঃ
  - সেই সম্পত্তি ব্যৱহাৰৰ প্ৰকৃতি।
  - ব্যৱসায়ত প্ৰচলিত পৰিবেশ
- এই নিৰ্বাচিত অৱক্ষয় পদ্ধতি প্ৰতিটো বছৰৰ বাবে একেই থাকিব লাগে। কেৱল বিশেষ ক্ষেত্ৰতহে অবক্ষয় পদ্ধতি পৰিৱৰ্তন কৰিব পাৰি।

ব্যৱসায়ৰ বিত্তীয় অৱস্থা আৰু কাৰ্য্যবোৰৰ ফলাফল নিৰ্দ্ধাৰণ আৰু উপস্থাপন কৰোতে অৱক্ষয়ে গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। ভিত্তি কৰি প্ৰতিটো অৱক্ষয়যোগ্য পৰিমাণৰ ওপৰত হিচাপ বৰ্ষত অৱক্ষয় ধাৰ্য্য কৰা হয়। এইটো মনত ৰখা উচিত যে অৱক্ষয়ৰ বিষয় বস্তু বা ইয়াৰ ভেটি হ'ল— "অৱক্ষয় যোগ্য সম্পত্তি" যিটো ঃ

- এটাতকৈ বেছি হিচাপ কালৰ বাবে ব্যৱহাৰ কৰা হয়।
- সীমিত ব্যৱহাৰযোগ্য জীৱনকাল থাকে।
- ইয়াক ব্যৱসায় প্ৰতিষ্ঠানে উৎপাদনৰ বাবে, পণ্য আৰু সেৱা যোগানৰ বাবে, ভাৰা দিবৰ বাবে বা প্ৰশাসনিক ব্যৱহাৰৰ বাবে ৰখা হয়। ইয়াক বিক্ৰীৰ বাবে ৰখা নহয়।

অৱক্ষয়যোগ্য সম্পত্তিৰ উদাহৰণ হ'ল, যন্ত্ৰপাতি, কল কাৰখানা, আচবাব, ভবন, কম্পিউটাৰ, ট্ৰাক, ভান, সা-সঁজুলি ইত্যাদি। তাৰোপৰি অৱক্ষয় হৈছে অৱক্ষয়যোগ্য টকাৰ পৰিমাণৰ বিতৰণ, যিটো প্ৰকৃত ব্যয় বা মূল ব্যয়ৰ পৰা অৱশেষ মূল্য বাদ দি পোৱা হয়।

অৱক্ষয়যোগ্য মূল্য বিতৰণৰ ক্ষেত্ৰত মনত ৰাখিবলগীয়া আন এটা বিষয় হ'ল সম্পত্তিৰ আনুমানিক ব্যৱহাৰযোগ্য জীৱন কাল। এইটো আকৌ দুই ধৰণে ব্যৱহাৰ কৰিব পাৰি— (i) ব্যৱসায়ে অবক্ষয়যোগ্য সম্পত্তি কিমান বছৰলৈ ব্যৱহাৰ কৰিব পাৰিব (ii) একে জাতীয় প্ৰতিষ্ঠানে একে ধৰণৰ সম্পত্তিৰ পৰা কিমান সংখ্যক গোট উৎপাদন কৰিব পাৰি।

7.1.2 ওপৰৰ আলোচনাৰ পৰা অৱক্ষয়ৰ তলৰ বৈশিষ্ট্যবোৰ পাওঁ

(i) স্থায়ী সম্পত্তিৰ লিখিত মূল্য ক্ৰমে কমি যায়।

(ii) ইয়াৰ মূল্য কমি যোৱা বা লোকচান হোৱাৰ কাৰণ হ'ল সময় অতিবাহিত হোৱা ব্যৱহাৰ

আৰু অপ্ৰচলন। উদাহৰণ স্বৰূপে, এটা ব্যৱসায় প্ৰতিষ্ঠানে 2000 চনৰ 1 এপ্ৰিলত এটা যন্ত্ৰ কিনিলে। 2002 চনত এই যন্ত্ৰৰ এটা নতুন মডেল বজাৰত ওলাল। ফলস্বৰূপে প্ৰতিষ্ঠানটোৱে কিনা যন্ত্ৰটো নচলা হ'ল। গতিকে যন্ত্ৰটোৰ প্ৰচলন নোহোৱা হ'ল আৰু মূল্য কমি যাব।

(iii) ই এটা ধাৰাবাহিক প্ৰক্ৰিয়া।

(iv) এইটো এটা হৈ যোৱা (expired) ব্যয়। সেয়েহে কৰযোগ্য লাভ উলিওৱাৰ আগতে ইয়াক বাদ দিব লাগে। উদাহৰণ স্বৰূপে যদি অৱক্ষয় আৰু কৰৰ আগতে হোৱা লাভ 50,000 টকা আৰু অৱক্ষয় 10,000 টকা হয়, কৰৰ আগতে হোৱা লাভ হ'ব ঃ-

কৰ আৰু অৱক্ষয়ৰ বাদ দিয়াৰ আগতে লাভ 50,000 টকা

(-) অৱক্ষয় বছৰটো বাবে-	<u>10,000 টকা</u>
কৰৰ আগত হোৱা লাভ =	<u>40,000 টকা</u>

(v) ই এবিধ অ-নগদ ব্যয়। ইয়াৰ বাবে কোনো নগদ টকা ওলায় নাযায়। এইটো ইতিমধ্যে কৰা মূলধনী ব্যয় বাদ দিয়া প্ৰক্ৰিয়া মাত্ৰ।

7.2 অবক্ষয় আৰু কিছুমান আনুষাংগিক পদ (Depreciation and other related terms)

নিজস্ব কাৰ্য

তোমাৰ ওচৰে পাজৰে বিচাৰি চোৱা আৰু অতি কমেও পাচবিধ অবক্ষয়যোগ্য সম্পত্তি, তোমাৰ ঘৰত, স্কুলত, চিকিৎসালয়ত, ছপাশাল আৰু এটা বেকাৰীত চিনাক্ত কৰি উলিওৱা।

একে ধৰণৰ কিছুমান পদ যেনে— ক্ষয়ীকৰণ, ক্ৰমশঃ পৰিশোধ যিবোৰ অবক্ষয় সম্পৰ্কত ব্যৱহাৰ হয়। একে ধৰণৰ ফলাফলৰ বাবে আৰু একে ধৰণে হিচাপত ব্যৱহাৰ হয় আৰু ইহঁতে বিভিন্ন সম্পত্তিৰ ব্যৱহাৰৰ যোগ্যতা শেষ হোৱা বুজায়।

7.2.1 ক্ষয়ীকৰণ (Depletion)

এই পদটো সাধাৰণতে প্ৰাকৃতিক সম্পদ আহৰণৰ ক্ষেত্ৰত ব্যৱহাৰ হয়- যেনে— খনি, মহল আদি। এইবোৰ সম্পদৰ মজুতৰ পৰিমাণ ক্ৰমে ক্ৰমে কমি যায়। উদাহৰণ, যদিহে এটা প্ৰতিষ্ঠানে খনিৰ সম্পদ আহৰণৰ কাৰ্যত জড়িত হয় আৰু 10,00,000 টকাৰ কয়লাৰ খনি কিনে। কয়লাৰ খনিৰ পৰা কয়লা আহৰণৰ লগে লগেই মজুতৰ পৰিমাণ কমিব ধৰে। এনে ধৰণে খনিৰ মজুতৰ পৰিমাণ কমি যোৱাকে ক্ষয়ীকৰণ বোলা হয়। ক্ষয়ীকৰণ আৰু অবক্ষয়ৰ মাজৰ প্ৰধান পাৰ্থক্য হ'ল— ক্ষয়ীকৰণত সম্পদৰ মূল্য শেষ হৈ যায় আৰু অবক্ষয় হ'ল সম্পত্তিৰ ব্যৱহাৰৰ লগত জড়িত। ইয়াৰ উপৰিও

প্ৰাকৃতিক সম্পদৰ পৰিমাণ কমি যায় আৰু সেৱাৰ গুণ নাইকিয়া হয়। সেয়েহে ক্ষয়ীকৰণ আৰু অবক্ষয় দুয়োটাকেই একে ধৰণে ব্যৱহাৰ কৰা হয়।

7.2.2 ক্ৰমঃশ পৰিশোধ (Amortisation)

অস্পৰ্শনীয় সম্পত্তি যেনে— পেটেণ্ট বা স্বত্বকৰ, গ্ৰন্থস্বত্ব, বাণিজ্য চিহ্ন, বিশেষ স্বত্ব (franchises), লিজস্বত্ব আদিৰ বাবে হোৱা ব্যয় হিচাপৰ পৰা ক্ৰমে অবলোপন কৰা (written off) হয় আৰু ইয়াকে ক্ৰমশঃ পৰিশোধ বোলে। অস্পৰ্শনীয় সম্পত্তিৰ বাবে কৰা ব্যয়ৰ ক্ৰমশ পাৰিশোধ কৰা বা বছৰে বছৰে অবলোপন কৰা স্থায়ী সম্পত্তিৰ অবক্ষয়ৰ সৈতে একে। উদাহৰণ স্বৰূপে- যদিহে এটা ব্যৱসায় প্ৰতিষ্ঠানে 10,00,000 টকাৰে কৃতিস্বত্ব ক্ৰয় কৰে আৰু ইয়াৰ ব্যৱহাৰ যোগ্য জীৱনকাল 10 বছৰ হয়, তেন্তে ব্যৱসায়ে এই 10,00,000 টকা 10 বছৰৰ ভিতৰত অবলোপন কৰিবই লাগিব। এই ধৰণে সম্পত্তিৰ মূল্য অবলোপন কৰি পেলোৱাকে ক্ৰমশঃ পৰিশোধ বোলা হয়।

7.3 **অৱক্ষয়ৰ কাৰণ** (Causes of Depreciation)

অবক্ষয়ৰ কাৰণবোৰ ইয়াৰ সংজ্ঞা দিওঁতে হিচাপ কৰণৰ মানক -6 (Accounting Standard - 6) ত কোৱা হৈছে। ইয়াত এইবিলাকৰ বাখ্যা কৰা হ'ল ঃ-

7.3.1 ব্যৱহাৰ বা সময় অতিবাহিত হোৱাৰ বাবে ক্ষয় যোৱা (Wear and Tear due to use or passage of time)

ক্ষয় যোৱা মানে ক্ৰমে ক্ৰমে হ্ৰাস হোৱা। ব্যৱসায়ে আয় উপাৰ্জন কৰিবলৈ কাৰ্য্যত ব্যৱহাৰ কৰোতে সম্পত্তিৰ মূল্য ক্ৰমে কমি যায়। এইক্ষেত্ৰত এহাতে সম্পত্তি যি উদ্দেশ্য বা কামত ব্যৱহৃত হয় সেই ক্ষমতা বা দক্ষতা ক্ৰমে কমি যায়। আনহাতে সম্পত্তিৰ বাহ্যিক অবয়ব (গাঁঠনি) (Physical) ক্ৰমে নষ্ট হয়। সম্পত্তি যদিও কাৰ্যত ব্যৱহাৰ কৰা নহয় তথাপি সময় অতিবাহিত হোৱাৰ লগে লগে ই নষ্ট হবলৈ ধৰে। সাধাৰণতে যেতিয়া সম্পত্তিবোৰ প্ৰকৃতিৰ সংস্পৰ্শত আছে- যেনে— বতৰ, বতাহ, বৰষুণ আদি।

7.3.2 আইনগত অধিকাৰ শেষ হোৱাৰ বাবে (Expiration of legal rights)

এনে শ্ৰেণীৰ কিছুমান সম্পত্তি আছে যিবোৰ সম্পত্তি চুক্তিৰ দ্বাৰা ব্যৱসায়ত নিৰ্দিষ্ট সময়ৰ বাবে ব্যৱহাৰৰ অধিকাৰ পোৱা হয়, সেই সময় শেষ হোৱাৰ লগে লগেই এইবোৰৰ মূল্য নোহোৱা হয়।

এনে সম্পত্তি হ'ল— কৃতিস্বত্ব, গ্ৰন্থস্বত্ব, লিজস্বত্ব আদি যিবোৰৰ উপযোগিতা আইনগত সম্পৰ্ক শেষ হোৱাৰ লগে লগেই শেষ হয়।

7.3.3 অপ্ৰচলন (Obsolescence)

স্থায়ী সম্পত্তি অবক্ষয় হোৱাৰ আন এটা কাৰণ হ'ল অপ্ৰচলন। সাধাৰণ ভাষাত অপ্ৰচলনৰ অৰ্থ হ'ল সময়ৰ বাহিৰ হোৱা (out of date)। নতুন উন্নত ধৰণৰ সম্পত্তিৰ উদ্ভাৱনৰ ফলত, বৰ্তমানৰ সম্পত্তিবোৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰে। এই অপ্ৰচলনৰ কাৰণবোৰ হ'ল ঃ-

- কাৰিকৰী দিশৰ পৰিৱৰ্তন,
- উৎপাদন পদ্ধতি উন্নত হোৱাৰ বাবে
- সম্পত্তিৰদ্বাৰা উৎপাদিত সামগ্ৰী বা সেৱাৰ চাহিদাৰ সলনি হোৱাৰ বাবে।
- আইনগত বা অন্যান্য কাৰণৰ বাবে।

7.3.4 অস্বাভাৱিক কাৰণ (Abnormal factors)

কিছুমান অস্বাভাৱিক কাৰণতো সম্পত্তিৰ মূল্য হ্ৰাস হয় বা ব্যৱহাৰৰ যোগ্যতা কমি যায়। যেনে— জুই, ভূমিকম্প, বানপানী আদিৰ দৰে দুৰ্ঘটনাসমূহ। দুৰ্ঘটনা জনিত লোকচানবোৰ স্থায়ী আৰু সঘনে নহয়। উদাহৰণ স্বৰূপে— দুৰ্ঘটনাৰ পাচত এখন গাড়ী মেৰামতি কৰিলেও আগৰ দাম নাপায় যদিও ইয়াক ব্যৱহাৰ কৰা নহয়।

কি বুজিলা চোৱা

1. তুমি তিনিটা ব্যৱসায় প্ৰতিষ্ঠানৰ লাভ-লোকচানৰ হিচাপ চালা। প্ৰথমটো ক্ষেত্ৰত ক্ষয়ীকৰণ আৰু তৃতীয়টোৰ ক্ষেত্ৰত ক্ৰমশঃ পৰিশোধ শব্দ দুটা পালা। এতিয়া, কোনটোৱে কেনে ধৰণৰ ব্যৱসায় কৰে কোৱা।
2. এটা ঔষধ উৎপাদনকাৰী প্ৰতিস্থানে এবিধ দুষ্প্ৰাপ্য ঔষধৰ বাবে কৃতিস্বত্বৰ (patent) অলপতে বিকাশ ঘটালে আৰু পঞ্জীয়ন কৰিলে। কৃতিস্বত্বৰ ব্যয়ৰ বাবে কোনটো পদ ব্যৱহাৰ কৰিবা।

7.4 অৱক্ষয়ৰ প্ৰয়োজন (Need for Depreciation)

আইনৰ বাধ্যবাধকতা আৰু বাস্তৱ ব্যৱসায়ীক বিবেচনাৰ পৰাই অৱক্ষয় হিচাপত দেখুৱা প্ৰয়োজন। সেয়েহে, খৰচ হিচাপে অৱক্ষয়ে ব্যৱসায়ত এটা বিশেষ ভূমিকা লৈছে।

7.4.1 আয় আৰু ব্যয়ৰ সামঞ্জস্য ঘটাবলৈ (Matching of Cost & Revenue)

স্থায়ী সম্পত্তি ব্যৱসায়ৰ কাম কাজৰ বাবে আহৰণ মানেই হৈছে ইয়াক লাভ উপাৰ্জনৰ বাবে ব্যৱহাৰ কৰা। প্ৰতিটো সম্পত্তিৰ ক্ষয় হবই আৰু সেয়েহে ইয়াৰ মূল্যও কমি যায়। সেয়েহে দৰমহা, পৰিবহন, ব্যয়, ডাক ব্যয়, মনোহাৰী আদি ব্যৱসায়ৰ সাধাৰণ ব্যয়ৰ দৰে অবক্ষয়কো ব্যয় হিচাপে ধৰাটো দৰকাৰ। সাধাৰণভাবে গ্ৰহণযোগ্য হিচাপ কৰণৰ ধাৰণা মতে, ইয়াক একে বছৰৰ আয়ৰ বিপৰীতে প্ৰকৃত লাভ উলিওৱাৰ আগতে হিচাপত ধাৰ্য্য কৰিব (charge) লাগে।

7.4.2 কৰৰ বাবে (Consideration of Tax)

কৰ নিৰূপণৰ বাবে অৱক্ষয় এবিধ বাদ দিব লগা খৰচ। বৰ্তমান ব্যৱসায়ৰ বাবে অৱক্ষয়ৰ পৰিমাণ উলিয়াবলৈ কৰৰ নিয়ম একে নহ'লেও কোনো কথা নাই।

7.4.3 শুদ্ধ আৰু সঠিক বিত্তীয় অৱস্থা দেখুৱাবলৈ (True & Fair Financial Position)

যদিহে সম্পত্তিৰ বাবে অবক্ষয় ধৰা নহয়, তেন্তে সম্পত্তিবোৰৰ মূল্য বেছিকৈ দেখুৱা হ'ব আৰু উদ্বৃত্ত পত্ৰই শুদ্ধ বিত্তীয় অৱস্থা দেখুৱাব নোৱাৰিব। তাৰোপৰি, প্ৰতিষ্ঠিত হিচাপ ব্যৱস্থা বা আইনৰ ব্যৱস্থায়ো এইটো অনুমতি নিদিয়ে।

7.4.4 আইনৰ প্ৰয়োজনীয়তাৰ বাবে (Compliance with law)

কৰ আইনৰ ওপৰিও একে কিছুমান বিশেষ আইন আছে যিবোৰে কিছুমান ব্যৱসায় সংগঠনক অৱক্ষয় ধাৰ্য কৰিবলৈ পৰোক্ষভাৱে বাধ্য কৰে। যেনে— কোম্পানীবোৰে স্থায়ী সম্পত্তিৰ ওপৰত অৱক্ষয় ধৰিবই লাগিব।

কি বুজিলা চোৱা

তলত দিয়া মন্তব্যবোৰ শুদ্ধ নে অশুদ্ধ কোৱা

(i) অৱক্ষয় এবিধ অনগদ ব্যয়।

(ii) অৱক্ষয় চলিত সম্পত্তিৰ ওপৰতো ধৰা হয়।

(iii) স্পৰ্শনীয় স্থায়ী সম্পত্তিৰ বজাৰ মূল্যৰ ওপৰত অৱক্ষয় ধৰা হয়।

(iv) অৱক্ষয়ৰ প্ৰধান কাৰণ হ'ল সম্পত্তি ব্যৱহাৰৰ বাবে হোৱা ক্ষয়-ক্ষতি।

(v) ব্যৱসায় এটাই শুদ্ধ লাভ বা লোকচান উলিয়াবলৈ অবক্ষয় ধৰিবই লাগিব।

(vi) ক্ষয়ীকৰণ পদটো অদৃশ্য সম্পত্তিৰ ক্ষেত্ৰতো ব্যৱহাৰ হয়।

(vii) সম্পত্তি সলাবলৈ (replacement) অবক্ষয়ে পুঁজিৰ যোগান ধৰে।

(viii) যেতিয়া এটা সম্পত্তিৰ বজাৰ মূল্য লিখিত মূল্যতকৈ বেছি হয় তেতিয়া অৱক্ষয় ধৰা নহয়।

(ix) অবক্ষয় সম্পত্তিৰ মূল্য বজাৰ মূল্যতকৈ কম দেখুবাবৰ বাবে ধৰা হয়।

(x) যদিহে যথেষ্ট পৰিমাণে পৰিচাৰ্য (Maintenance) ব্যয় কৰা হয়, তেন্তে অবক্ষয় ধৰিব নেলাগে।

7.5. অৱক্ষয়ৰ পৰিমাণত প্ৰভাৱ পেলোৱা উপাদানসমূহ (Factors affecting the amount of depreciation)

অবক্ষয়ৰ পৰিমাণ নিৰূপণ তিনিটা উপাদানৰ ওপৰত নিৰ্ভৰ কৰে। যেনে— ব্যয় (Cost), আনুমানিক ব্যৱহাৰযোগ্য জীৱন কাল (estimated useful life) আৰু আনুমানিক অবশেষ মূল্য (Scrap value) :-

7.5.1 সম্পত্তিৰ ব্যয় (Cost of Assets)

এবিধ সম্পত্তিৰ ব্যয়ৰ [প্ৰকৃত ব্যয় (Original cost or historical cost)] ভিতৰত চালান ব্যয় আৰু অন্যান্য ব্যয় ধৰা হয়। যিবোৰ ব্যয় সম্পত্তিৰ ব্যৱহাৰৰ উপযোগী বা কাৰ্যক্ষম অৱস্থা পাবৰ বাবে প্ৰয়োজন হয়। কিনা দামৰ ওপৰিও ইয়াৰ ভাড়া, পৰিবহণ ব্যয়, পৰিবহণ বীমা, প্ৰতিষ্ঠাপন ব্যয়, পঞ্জীয়ন ব্যয়, কিনাৰ বাবে দস্তুৰি আৰু প্ৰয়োজনীয় ব্যয় বস্তু (Add items) আদি। পুৰণি সম্পত্তি কিনিলে, ইয়াৰ কিনা দামৰ লগত যন্ত্ৰটো কাৰ্য্যক্ষম হোৱা প্ৰাথমিক (initial) মেৰামতি খৰচ যোগ দিব লাগে। আই. চি. এ. আই (I.C.A.I) অৰ হিচাপ মানৰ -6 মতে স্থায়ী সম্পত্তিৰ ব্যয় হ'ল "অবক্ষয়যোগ্য সম্পত্তি আহৰণ, প্ৰতিস্থাপন, দস্তুৰি আৰু সংযোজনৰ আৰু উন্নয়নৰ বাবে হোৱা মুঠ ব্যয়কে বুজায়।" "The total cost spent in connection with its acquisition, instalation and commissioning as well as for addition and improvement of the depreciable assets."

উদাহৰণ স্বৰূপে, যদি এটা ফটোকপি যন্ত্ৰ 50,000 টকাত কিনা হয় আৰু ইয়াৰ পৰিবহন আৰু প্ৰতিস্থাপন ব্যয় 5,000 টকা হয় তেন্তে যন্ত্ৰটোৰ প্ৰাৰম্ভিক ব্যয় হ'ব 55,000 টকা (50,000 + 5000)। এই সমস্ত ব্যয় ইয়াৰ ব্যৱহাৰযোগ্য জীৱন কালৰ ভিতৰত অবলোপন কৰিব লাগিব (Written off)।

7.5.2 আনুমানিক প্ৰকৃত অৱশেষ মূল্য (Estimated net residual value)

সম্পত্তিৰ প্ৰকৃত অৱশেষ মূল্য হৈছে ইয়াৰ জীৱনকালৰ শেষত আনুমানিক আদায়ীকৃত বা বিক্ৰী মূল্য (estimated value)। এই অৱশেষ মূল্য সম্পত্তি বিক্ৰীৰ পৰা পোৱা টকাৰ পৰা বিক্ৰীৰ বাবে হোৱা সকলো খৰচ বাদ দি উলিওৱা হয়।

উদাহৰণ স্বৰূপে, যদি এটা যন্ত্ৰ 50,000 টকাৰে ক্ৰয় কৰা হয়, আৰু ইয়াৰ আনুমানিক বয়স 10 বছৰ পাছত বিক্ৰী মূল্য 6,000 টকা হয় আৰু বিক্ৰীৰ বাবে হোৱা ব্যয় 1,000 টকা হয়, তেন্তে ইয়াৰ প্ৰকৃত অৱশেষ মূল্য হ'ব 5,000 টকা (6000 টকা - 1000 টকা)।

7.5.3 অৱক্ষয়যোগ্য ব্যয় (Depreciable Cost)

সম্পত্তি এটাৰ অৱক্ষয়যোগ্য ব্যয় হ'ল ইয়াৰ মুঠ ব্যয়ৰ পৰা অবশেষ মূল্য বাদ দি পোৱা মূল্য। সেয়েহে ওপৰৰ উদাহৰণৰ যন্ত্ৰটোৰ অৱক্ষয়যোগ্য ব্যয় হ'ব 45000 টকা (50,000 – 5000 টকা)। অৱক্ষয় ব্যয় হৈছে সেইটো ব্যয় যিটো আনুমানিক ব্যৱহাৰযোগ্য জীৱন কালত ভাগ কৰি অবক্ষয় ব্যয় হিচাপ দেখুৱা হয়। ওপৰৰ উদাহৰণত 45,000 টকা 10 বছৰত অৱক্ষয় ব্যয় হিচাপে দেখুৱা হ'ব। এইটো উল্লেখযোগ্য যে ব্যৱহাৰযোগ্য জীৱন কালৰ যি মুঠ অৱক্ষয়ৰ পৰিমাণ সেইটো অৱক্ষয়যোগ্য ব্যয়ৰ সমান হব লাগিব। যদিহে মুঠ অৱক্ষয়, অৱক্ষয়যোগ্য ব্যয়তকৈ কম হয় তেতিয়া বুজিব লাগিব যে মুলধনী ব্যয় সম্পূৰ্ণৰূপে আদায় হোৱা নাই। ইয়ে আয় আৰু ব্যয়ৰ যি সমতুল্যৰ (matching) নীতি তাক উলঙ্ঘা কৰে।

7.5.4 অনুমানিক ব্যৱহাৰযোগ্য জীৱন কাল (Estimated useful life)

সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱনকাল হ'ল সম্পত্তিৰ আনুমানিক আৰ্থিক বা বাণিজ্যিক জীৱন কাল। দেখাত সম্পত্তি থাকিলেই নহ'ব। কাৰণ, দেখাত সম্পত্তি হাতত থাকিলেও ই ব্যৱসায়ীকভাৱে উৎপাদনক্ষম নহ'বও পাৰে। উদাহৰণ স্বৰূপে, এটা যন্ত্ৰ কিনা হ'ল আৰু ইয়াক উৎপাদন প্ৰক্ৰিয়াত 5 বছৰলৈ ব্যৱহাৰ কৰা যাব বুলি অনুমান কৰা হ'ল। 5 বছৰ পিছত যন্ত্ৰটো দেখাত ভালে থাকিলেও

ইয়াক উৎপাদন প্ৰক্ৰিয়াত লাভজনকভাৱে ব্যৱহাৰ কৰিব নোৱাৰিবও পাৰে। অৰ্থাৎ, উৎপাদন ব্যয় বহুত বাঢ়ি যাব পাৰে। সেয়েহে, দেখাত সম্পত্তি থাকক বা নাথাকক ইয়াৰ আনুমানিক জীৱনকাল 5 বছৰ বুলিয়েই ধৰা হ'ব। সম্পত্তি এটাৰ ব্যৱহাৰযোগ্য জীৱন কাল নিৰূপণ কৰাটো বৰ কঠিন কাম। কাৰণ, এইটো কেবাটাও উপাদানৰ ওপৰত নিৰ্ভৰ কৰে। যেনে— সম্পত্তিৰ ব্যৱহাৰৰ স্তৰ, সম্পত্তিৰ যত্ন, কাৰিকৰী পৰিৱৰ্তন বজাৰ পৰিৱৰ্তন আদি। হিচাপ কৰণৰ মানক 6 মতে সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱনকাল হ'ল সেইটো সময় যিটো সময়ৰ বাবে ব্যৱসায়ীয়ে ইয়াক ব্যৱহাৰ কৰিব বুলি ভাবে। সাধাৰণতে, ব্যৱহাৰযোগ্য জীৱনকালতকৈ সম্পত্তিৰ প্ৰকৃত জীৱন কাল বেছি। সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱনকাল বছৰেৰে প্ৰকাশ কৰা হয়। যদিও অন্য এককত প্ৰকাশ কৰিব পাৰি। যেনে— উৎপাদিত পণ্যৰ পৰিমাণ, কাৰ্যকৰী ঘণ্টাৰ সংখ্যাৰে। ব্যৱহাৰযোগ্য জীৱন কাল তলৰ উপাদানকেইটাৰ ওপৰত নিৰ্ভৰ কৰে-

- আইনৰদ্বাৰা বা চুক্তিৰদ্বাৰা পূৰ্বনিৰ্দ্ধাৰিত সময় সীমা- যেনে— লিজস্বত্ব, সম্পত্তিৰ ক্ষেত্ৰত লিজৰ কালেই ব্যৱহাৰযোগ্য জীৱন কাল।
- কিমান কালৰ (shift) বাবে এই সম্পত্তি ব্যৱহাৰ কৰিব পাৰিব।
- মেৰামতি আৰু পৰিচৰ্য নীতি (repair and maintenance policy)
- কাৰিকৰীভাৱে অপ্ৰচলন।
- উৎপাদন পদ্ধতিৰ উদ্ভাৱন।
- আইনগত বা অন্য বাধা নিষেধ।

7.6 অৱক্ষয়ৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰাৰ পদ্ধতি (Method of calculating depreciation amount)

এটা হিচাপ বৰ্ষৰ বাবে অৱক্ষয়ৰ পৰিমাণ উলিওৱাটো নিৰ্ভৰ কৰে অৱক্ষয়যোগ্য ব্যয় আৰু বিতৰণ পদ্ধতিৰ ওপৰত। ইয়াৰ বাবে দুটা পদ্ধতি আইনে ধৰি দিছে আৰু বৃত্তিগত হিচাপ কৰণৰ ব্যৱস্থাত ইয়াৰ বলৱৎ কৰা হৈছে। এই পদ্ধতিকেইটা হ'ল— (i) সৰল ৰৈখিক পদ্ধতি (Straight Line Method) আৰু (ii) ক্ৰমহ্ৰাসমান মূল্য পদ্ধতি (written down value method) এই দুটা প্ৰধান পদ্ধতিৰ উপৰিও অন্য কিছুমান পদ্ধতি আছে- যেনে— বাৰ্ষিক কিস্তি পদ্ধতি, অবক্ষয় পুজি পদ্ধতি, বীমা পত্ৰ পদ্ধতি, বৰ্ষ সংখ্যাৰ সমষ্টি পদ্ধতি, পুনৰ মূল্যায়ন পদ্ধতি, ক্ষয়ীকৰণ পদ্ধতি আদি। এই আটাইবোৰ পদ্ধতি অবক্ষয়ৰ পৰিমাণ উলিয়াবলৈ ব্যৱহাৰ কৰিব পাৰি। উপযুক্ত পদ্ধতি নিৰ্বাচন কৰাটো তলৰ বিষয়বোৰৰ ওপৰত নিৰ্ভৰ কৰে।

- সম্পত্তিৰ ধৰণ (Type of Asset)
- ব্যৱসায়ত উদ্ভৱ হোৱা পৰিস্থিতি আদি। হিচাপ কৰণৰ মান-6, মতে প্ৰতিটো কালৰ বাবে অৱক্ষয় পদ্ধতি একে থাকিব লাগে (constant)। বিশেষ পৰিস্থিতিতহে অবক্ষয়ৰ পদ্ধতি পৰিৱৰ্তন কৰিব পাৰি।

7.6.1 সৰল ৰৈখিক পদ্ধতি (Straight Line Method)

অৱক্ষয় ধাৰ্য কৰাৰ এই পদ্ধতিটো অতি পুৰণি আৰু অতি বহুলভাৱে ব্যৱহৃত। গোটেই ব্যৱহাৰযোগ্য জীৱনকালত সম্পত্তিটো সমানে ব্যৱহাৰ হয়, এই ধাৰণাৰ ওপৰত ই প্ৰতিস্থিত। এই কাৰণেই সৰল ৰৈখিক পদ্ধতি বুলি কোৱা হয় যে, যদি বছৰবোৰৰ পৰিৱৰ্তে অৱক্ষয়ৰ পৰিমাণবোৰ এখন লেখ কাগজত উপস্থাপন কৰা হয় তেতিয়া আমি এডাল সৰল ৰেখা পাম। ইয়াক স্থিৰ কিস্তি পদ্ধতি বুলিও কোৱা হয়, কাৰণ সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱন কালত প্ৰতি বছৰৰ অৱক্ষয়ৰ পৰিমাণ একে থাকে। এই পদ্ধতি মতে সম্পত্তি এটাৰ জীৱন কালত প্ৰতি বছৰৰ অৱক্ষয়ৰ পৰিমাণ স্থিৰ আৰু সমান হয়। প্ৰতি বছৰে অবক্ষয় ধাৰ্য কৰাটো এনেকুৱা হয় যাতে সম্পত্তিৰ জীৱন কালৰ শেষত সম্পত্তিৰ প্ৰকৃত মূল্য অৱশিষ্ট মূল্যলৈ কমাই নিয়ে। এই পদ্ধতিক মূল ব্যয়ৰ ওপৰত স্থিৰ শতাংশ পদ্ধতি বুলিও জনা যায়। কাৰণ, প্ৰতি বছৰে মূল ব্যয়ৰ ওপৰত একে শতাংশ ধৰি অৱক্ষয় ধৰিব লাগে।

তলৰ সূত্ৰ অনুসৰণ কৰি অবক্ষয়ৰ পৰিমাণ উলিওৱা হয় ঃ-

$$\text{অবক্ষয় (Depreciation)} = \frac{\text{সম্পত্তিৰ ব্যয় (Costs of Assets) - আনুমানিক প্ৰকৃত অৱশিষ্ট মূল্য (Estimated Net Scrap Value)}}{\text{সম্পত্তিৰ আনুমানিক ব্যৱহাৰযোগ্য জীৱন কাল (estimated useful life of the assets)}}$$

সৰল ৰৈখিক পদ্ধতিত অৱক্ষয়ৰ হাৰ হ'ল, সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱন কালত প্ৰতি বছৰৰ অবক্ষয়ৰ পৰিমাণৰ, ইয়াৰ মুঠ ব্যয়ৰ শতাংশ। অবক্ষয়ৰ হাৰ তলত দিয়া ধৰণে উলিওৱা হয়-

$$\text{অবক্ষয়ৰ হাৰ} = \frac{\text{বাৰ্ষিক অৱক্ষয়ৰ পৰিমাণ}}{\text{সম্পত্তিৰ আহৰণ মূল্য}} \times 100$$

উদাহৰণ স্বৰূপে, সম্পত্তি এটাৰ মুঠ প্ৰকৃত ব্যয় 2,50,000 টকা। সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱনকাল 10 বছৰ আৰু আনুমানিক অৱশিষ্ট মূল্য 50,000 টকা। এতিয়া বছৰি ধাৰ্য কৰিব লগা অবক্ষয়ৰ পৰিমাণ হ'ব ঃ-

$$\text{বাৰ্ষিক অবক্ষয়} = \frac{\text{মুঠ ব্যয় — অৱশিষ্ট মূল্য}}{\text{আনুমানিক জীৱন কাল}}$$

$$= \frac{(2,50,000 - 50,000) \text{ টকা}}{10 \text{ বছৰ}} = 20,000/- \text{ টকা}$$



Fig.-7.1 *সৰল ৰৈখিক পদ্ধতিত অৱক্ষয়ৰ পৰিমাণ*

উলিয়াব লগীয়া অবক্ষয়ৰ হাৰ ঃ-

$$\text{অবক্ষয়ৰ হাৰ} = \frac{\text{বাৰ্ষিক অৱক্ষয়ৰ পৰিমাণ}}{\text{সম্পত্তিৰ আহৰণ ব্যয়}} \times 100$$

$$= \frac{20,000}{2,50,000} \times 100 = 8\%$$

7.6.1.1 সৰল বৈখিত পদ্ধতিৰ সুবিধাসমূহ (Advantages of Straight Line Method)

এই পদ্ধতিৰ কিছুমান বিশেষ সুবিধা আছে। এইবোৰ তলত উল্লেখ কৰা হ'ল ঃ-

- ই এটা অতি সৰল পদ্ধতি। বুজিবলৈ আৰু প্ৰয়োগ কৰিবলৈ সহজ। সেয়েহে, এই পদ্ধতি বহুল প্ৰয়োগ হয়।
- এই পদ্ধতিত সম্পত্তিৰ অবশিষ্ট মূল্য বা শূণ্য পৰিমাণৰ মূল্যলৈ অৱক্ষয় ধাৰ্য কৰিব পাৰি। সেয়েহে, এই পদ্ধতিত সম্পূৰ্ণ অৱক্ষয়যোগ্য মূল্য ব্যৱহাৰযোগ্য জীৱন কালত বিতৰণ কৰিব পাৰি।
- সমপৰিমাণৰ অৱক্ষয় প্ৰতি বছৰে লাভ-লোকচান হিচাপত দেখুওৱা হয়। সেয়ে বিভিন্ন বছৰৰ লাভবোৰ তুলনা কৰা সহজ হয়।
- যিবোৰ সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱনকাল সঠিক ভাৱে নিৰূপণ কৰিব পাৰি আৰু য'ত সম্পত্তিৰ ব্যৱহাৰ বছৰ বছৰ ধৰি একে থাকে তেনেবোৰ সম্পত্তিৰ বাবে এই পদ্ধতি অতি সুবিধাজনক।

7.6.1.2 সৰল বৈখিক পদ্ধতিৰ অসুবিধাসমূহ (Limitation of Straight Line Method)

সৰল বৈখিক পদ্ধতি যদিও সৰল আৰু ব্যৱহাৰ কৰিবলৈ সহজ তথাপি ইয়াৰ কিছুমান বিশেষ অসুবিধা আছে। এইবোৰ তলত দিয়া হ'ল ঃ-

(i) এই পদ্ধতিত, প্ৰতি হিচাপ বৰ্ষত সমান উপযোগিতা থাকে বুলি ভুল ধাৰণা লোৱা হয়।

(ii) সময় অতিবাহিত হোৱাৰ লগে লগে সম্পত্তিৰ কাৰ্য্যক্ষমতা কমি যায় আৰু মেৰামতি আৰু প্ৰতিপালন ব্যয় বাঢ়ি যায়। সেয়েহে, এই পদ্ধতিৰ অৱক্ষয় আৰু মেৰামতিৰ বাবে যি মুঠ ব্যয় ধৰা হয় সেইবোৰ সম্পত্তিৰ জীৱন কালত প্ৰতিটো হিচাপ বৰ্ষৰ বাবে একে নাথাকে। আনহাতে এই মুঠ খৰচ বছৰৰ পিচত বছৰ বাঢ়ি গৈ থাকে।

7.6.2 অৱলোপিত মূল্য পদ্ধতি (Written down value method)

এই পদ্ধতি অনুসৰি অবক্ষয় লিখিত মূল্য (Book value) ৰ ওপৰত ধাৰ্য কৰা হয়। যিহেতু লিখিত মূল্য বাৰ্ষিক অৱক্ষয় বাদ দি ধৰা হয়, সেয়েহে ইয়াক ক্ৰমহ্ৰাস মান উদ্বৃত পদ্ধতি বুলিও জনা যায়। এই পদ্ধতিত প্ৰতি হিচাপ বৰ্ষৰ আৰম্ভণিতে সম্পত্তিৰ লিখিত মূল্যৰ ওপৰত পূৰ্বনিৰ্দ্ধাৰিত শতাংশ ধৰি অৱক্ষয়ৰ পৰিমাণ উলিওৱা হয়। সেয়েহে, অৱক্ষয়ৰ পৰিমাণ প্ৰতি বছৰে কমি গৈ থাকে।

উদাহৰণ স্বৰূপে, এটা সম্পত্তিৰ মূলব্যয় (original cost) হ'ল 2,00,000 টকা আৰু অৱলোপিত মূল্য পদ্ধতিত প্ৰতি বছৰে 10% হাৰে অৱক্ষয় ধাৰ্য কৰা হয়, তেন্তে অৱক্ষয়ৰ পৰিমাণ তলত দিয়া ধৰণে উলিওৱা হ'ব ঃ-

	সম্পত্তিৰ মূল ব্যয় ————————	2,00,000 টকা
(-)	প্ৰথম বছৰৰ অৱক্ষয় (2,00,000 × $\frac{10}{100}$ = 20,000	20,000 টকা
(1)	প্ৰথম বছৰৰ শেষত অৱলোপিত মূল্য =	1,80,000 টকা
(-)	দ্বিতীয় বছৰৰ অৱক্ষয় (1,80,000 × $\frac{10}{100}$ = 18,000) =	18,000 টকা
(2)	দ্বিতীয় বছৰৰ শেষত অৱলোপিত মূল্য =	1,62,000 টকা
(-)	তৃতীয় বছৰৰ অৱক্ষয় (1,62,000 × $\frac{10}{100}$ = 16,200) = 16,200 টকা	
(3)	তৃতীয় বছৰৰ শেষত অৱলোপিত মূল্য =	1,45,800 টকা

ওপৰৰ উদাহৰণৰ পৰা দেখা গ'ল যে, প্ৰতি বছৰে অৱক্ষয়ৰ পৰিমাণ কমি গৈ থাকে। সেই কাৰণে ইয়াক ক্ৰমহ্ৰাসমান কিস্তি বা ক্ৰমহ্ৰাসমান মূল্য পদ্ধতি বুলি কোৱা হয়। এই পদ্ধতিটো এই ধাৰণাৰ ওপৰত প্ৰতিস্থিত যে যিহেতু সম্পতিটো ক্ৰমে পুৰণি হৈ আহে, সেয়েহে ইয়াৰপৰা উদ্ভুত আয় বা উপকাৰ ক্ৰমে ক্ৰমে কমি আহিব ধৰে। (refer Figure-7.2)। এই কাৰণে প্ৰতি বছৰে ক্ৰমে



Fig-7.2 *অৱলেপিত মূল্য পদ্ধতিত অৱক্ষয়ৰ পৰিমাণ*

হ্রাস হোৱা সম্পত্তিৰ মূল্যৰ ওপৰত পূৰ্ব নিৰ্দ্ধাৰিত শতাংশ ধৰি অৱক্ষয় উলিওৱা হয়। এইদৰে পিছৰ বছৰবোৰৰ তুলনাত আগৰ বছৰবোৰ অৱক্ষয়ৰ পৰিমাণ বেছিকৈ দেখুওৱা হয়।

অবলেপিত মূল্য পদ্ধতিৰ তলৰ সূত্ৰ ব্যৱহাৰ কৰি অৱক্ষয়ৰ হাৰ উলিওৱা হয়—

$$\left[1 - N\sqrt{\frac{S}{C}}\right]$$

ইয়াত

অৱক্ষয়ৰ হাৰ; আনুমানিক জীৱনকাল।

(অবশেষ মূল্য)

সম্পত্তিৰ মুঠ ব্যয়।

উদাহৰণস্বৰূপে— এখন ট্ৰাকৰ মুঠ ব্যয় ৯,০০,০০০ টকা আৰু ইয়াৰ অৱশেষ মূল্য ১৬ বছৰৰ পিছত ৫০,০০০ টকা হয়, তেন্তে শুদ্ধ অবক্ষয়ৰ হাৰ তলত দিয়া ধৰণে উলিওৱা হয় ঃ-

$$R = [1 - 16\sqrt{\frac{50,000}{9,00,000}} \times 100\ (1-0.834) \times 100 = 16.6\%$$

7.6.2.1 অৱলোপন মূল্য পদ্ধতিৰ সুবিধাসমূহ (Advantages of written down value Method)

এই পদ্ধতিত তলত দিয়া সুবিধাবোৰ আছে ঃ-

(i) সময় অতিবাহিত হোৱাৰ লগে লগে ইয়াৰ পৰা পোৱা উপকাৰ বা লাভ ক্ৰমে কমি গৈ থাকে। এই বাস্তৱমুখী ধাৰণাৰ ওপৰত ই প্ৰতিস্থিত। সেয়েহে, ব্যয়ৰ প্ৰকৃত বিতৰণ হয় বুলি ধৰা হয়। কাৰণ, সম্পত্তিৰ আদি অবস্থাৰ অৱক্ষয়ৰ পৰিমাণ বেছিকৈ ধাৰ্য কৰা হয় যিটো সময়ত ইয়াৰ উৎপাদন ক্ষমতা বা লাভ বেছি হয় আৰু পিছৰ কালত অৱক্ষয় কম ধাৰ্য কৰা হয় যিটো সময়ত ইয়াৰ উৎপাদন ক্ষমতা বা উপযোগিতা কমি যায়।

(ii) এই পদ্ধতিত অৱক্ষয় আৰু মেৰামতি ব্যয় যি বোজা, সেইটো লাভ-লোকচান হিচাপত প্ৰতি বছৰে সমানে পৰে।

(iii) আয় কৰ আইনেও এই পদ্ধতিক স্বীকৃতি দিছে।

(iv) সম্পত্তিৰ মুঠ ব্যয়ৰ বুজন পৰিমাণ আদি অৱস্থাত অৱলোপন কৰা হয় বাবে অপ্ৰচলনৰ পৰা হোৱা লোকচান কমি যায়।

(v) যিবোৰ সম্পত্তিৰ জীৱনকাল বেছি আৰু মেৰামতি আৰু প্ৰতিপালন খৰচ বেছি, সেইবোৰ

সম্পত্তিৰ বাবে এই পদ্ধতি অতি সুবিধাজনক। অপ্ৰচলনৰ মাত্ৰা বেছি সম্ভাৱনা থকা সম্পত্তিৰ ক্ষেত্ৰটো এই পদ্ধতি সুবিধাজনক।

7.6.2.2 অৱলোপন মূল্য পদ্ধতিৰ অসুবিধা সমূহ (Limitations of written down value method)

এই পদ্ধতি যদিও অতি বাস্তৱ ধাৰণাৰ ওপৰত প্ৰতিস্থিত, তথাপি ইয়াৰ কিছু অসুবিধা আছেঃ-
(i) যিহেতু অবলেপন মূল্যৰ ওপৰত এটা স্থিৰ শতাংশ ধৰি অৱক্ষয় উলিওৱা হয়, সেয়েহে- অবক্ষয়যোগ্য ব্যয় সম্পূৰ্ণভাৱে নাইকীয়া কৰিব নোৱাৰি।
(ii)এটা সঠিক অৱক্ষয়ৰ হাৰ নিৰূপণ কৰিব নোৱাৰি।

7.7 **সৰল ৰৈখিক পদ্ধতি আৰু অৱলোপিত মূল্য পদ্ধতিৰ তুলনামূলক বিশ্লেষণ** (Straight Line Method and Writen Down Method : A Comparative Analysis)

অবক্ষয় উলিয়াবলৈ সৰল ৰৈখিক পদ্ধতি আৰু অবলোপিত মূল্য পদ্ধতি দুয়োটাই সাধাৰণতে ব্যৱহাৰ হয়। ইহঁতৰ পাৰ্থক্য তলত দিয়া হ'লঃ-

7.7.1 অৱক্ষয় ধাৰ্য কৰাৰ ভিত্তি (Basis of charging depreciation)

সৰল ৰৈখিক পদ্ধতিত অৱক্ষয় মূল ব্যয়ৰ ওপৰত ধাৰ্য কৰা হয়। আনহাতে অবলোপন পদ্ধতিত অৱক্ষয় সম্পত্তিৰ প্ৰকৃত লিখিত মূল্যৰ ওপৰত (Book value) ধাৰ্য কৰা হয়।

7.7.2 বছৰি ধাৰ্য কৰিবলগীয়া অৱক্ষয়ৰ পৰিমাণ (Annual charge of depreciation)

সৰল ৰৈখিক পদ্ধতিত বছৰি ধাৰ্য্য কৰা অবক্ষয়ৰ পৰিমাণ স্থিৰ বা একেই থাকে। আনহাতে, অৱলোপন পদ্ধতিত অৱক্ষয়ৰ পৰিমাণৰ পাৰ্থক্য দেখা যায়। অৰ্থাৎ এই পদ্ধতিত প্ৰতি বছৰে অৱক্ষয় ক্ৰমে কমি গৈ থাকে। সৰল ৰৈখিক পদ্ধতিত অৱক্ষয় মূল ব্যয়ৰ ওপৰত ধাৰ্য কৰা হয়। আনহাতে অৱলোপন পদ্ধতিত অৱক্ষয়ৰ পৰিমাণ অৱলোপিত মূল্যৰ ওপৰত ধাৰ্য কৰা হয়।

7.7.3 অৱক্ষয় আৰু মেৰামতিৰ বাবদ হোৱা মুঠ ব্যয়ক লাভ-লোকচান হিচাপত ধাৰ্য দেখুওৱা মুঠ ব্যয় (Total charge Against profit and Loss Account on Account of Deprecitaion and Repair Expenses)

এইটো সাধাৰণতে গ্ৰহণযোগ্য ঘটনা যে, সম্পত্তিৰ পৰৱৰ্তী বছৰবোৰত মেৰামতি আৰু প্ৰতিপালন ব্যয় ক্ৰমে বাঢ়ি গৈ থাকে। কাৰণ, প্ৰতি বছৰে দেখুওৱা অৱক্ষয় স্থিৰে থাকে আৰু মেৰামতি ব্যয় বাঢ়ি গৈ থাকে। আনহাতে অৱলোপন পদ্ধতিত পৰৱৰ্তী বছৰবোৰৰ অৱক্ষয় ক্ৰমে কমি গৈ থাকে আৰু মেৰামতি ব্যয় বাঢ়ি গৈ থাকে। গতিকে, অৱক্ষয় আৰু মেৰামতিৰ বাবদ হোৱা ব্যয় প্ৰতিটো বছৰত সমানে থাকে।

7.7.4 আয়কৰ আইনৰ দ্বাৰা স্বীকৃতি (Recognised by Income Tax Law)

সৰল ৰৈখিক পদ্ধতি আয়কৰ আইনৰদ্বাৰ স্বীকৃতি দিয়া নাই। আনহাতে অৱলেপন মূল্য পদ্ধতিক এই আইনে স্বীকৃতি দিছে।

7.7.5 সুবিধাজনক (Suitability)

যিবোৰ সম্পত্তিৰ মেৰামতি ব্যয় কম, অপ্ৰচলনৰ সম্ভাৱনা কম, অৱশেষ মূল্য পূৰ্ব নিৰ্দ্ধাৰিত কালৰ ওপৰত নিৰ্ভৰ কৰে, তেনেবোৰ সম্পত্তিৰ কাৰণে সৰল ৰৈখিক পদ্ধতি সুবিধা জনক। যেনে— ভূমি আৰু ভৱন, কৃতিস্বত্ব, বাণিজ্য চিহ্ন আদি। আনহাতে যিবোৰ সম্পত্তিক কাৰিকৰী পৰিৱৰ্তনে প্ৰভাব পেলায়, সময়ৰ গতিৰ লগে লগে মেৰামতি ব্যয় বাঢ়ি যায়, তেনে ধৰণৰ সম্পত্তিবোৰ অৱলেপন মূল্য পদ্ধতি ভাল। যেনে ঃ- যন্ত্ৰপাতি, মটৰ গাড়ী আদি। তেনে ধৰণৰ সম্পতিবোৰ অৱক্ষয় নিৰ্দ্ধাৰণৰ বাবে অৱলোপন মূল্য পদ্ধতি উপযুক্ত। যেনে কল আৰু যন্ত্ৰপাতি, মটৰ গাড়ী আদি।

পাৰ্থক্যৰ ভেটি	সৰল ৰৈখিক পদ্ধতি	অৱলোপন মূল্য পদ্ধতি
1. অৱক্ষয়ৰ ধাৰ্য্য কৰা ভেটি	মূল ব্যয় (Original Cost)	লিখিতমূল্য (মূল ব্যয়বাদ দিব লগা অৱক্ষয়)
2. বছৰি ধাৰ্য্য কৰা অৱক্ষয়ৰ পৰিমাণ	স্থিৰে থাকে (fixed)	প্ৰতি বছৰি কমি গৈ থাকে (Decline year after year)
3. অৱক্ষয় আৰু মেৰামতিৰ বাবদ লাভ-লোকচান হিচাপ ধাৰ্য্য কৰা ব্যয়।	বছৰি অসমান। পৰবৰ্তী বছৰবোৰত বাঢ়ি যায়। (Unequal year after year. It increases in later years)	প্ৰায় প্ৰতি বছৰে সমান থাকে।
4. আয় কৰ আইনৰ দ্বাৰা স্বীকৃতি।	স্বীকৃতি প্ৰাপ্ত নহয় (Not recog-nised)	স্বীকৃতি প্ৰাপ্ত নহয়।
5. সুবিধাজনক (Suitabil-ity)	যিবোৰ সম্পত্তিৰ মেৰামতি ব্যয় কম, অপ্ৰচলনৰ সম্ভাৱনা কম, অৱশেষ মূল্য পূৰ্বনিৰ্দ্ধাৰিত কালৰ ওপৰত নিৰ্ভৰ কৰে, তেনেবোৰ সম্পত্তিৰ বাবে ই সুবিধাজনক।	যিবোৰ সম্পত্তিক কাৰিকৰী পৰিৱৰ্তনে প্ৰভাব পেলায় আৰু সময় অতিবাহিত হোৱাৰ লগে লগে বেছিকৈ মেৰামতি ব্যয় কৰিব লগা হয়, তেনেবোৰ সম্পত্তিৰ বাবে ই সুবিধাজনক।

Fig-3 : *সৰল ৰৈখিক পদ্ধতি আৰু অবলোপন মূল্য পদ্ধতিৰ মাজত তুলনা*

কি বুজিলা চোৱা - 3

তোমাৰ ওচৰৰ ডাঃ আগৰৱালা আৰু ডাঃ মেহতা দু জন বিখ্যাত প্ৰতিযোগী চিকিৎসক। প্ৰত্যেকেই অলপতে ৰোগী চিকিৎসাৰ বাবে এটাকৈ যন্ত্ৰ কিনিলে। ডাঃ আগৰৱালাই প্ৰতিবছৰে সমান পৰিমাণৰ অবক্ষয় ধাৰ্য কৰিবলৈ সিদ্ধান্ত ল'লে। ডাঃ মেহতাই প্ৰথমৰ বছৰবোৰত বেছিকৈ অবক্ষয় ধাৰ্য কৰিবলৈ সিদ্ধান্ত ল'লে। তেওঁলোকে অবক্ষয় পদ্ধতিৰ বিষয়ে একো নাজানে। তুমি হিচাপ কৰণৰ বিষয়ে সম্পূৰ্ণ জ্ঞাত নহয় যদিও তেওঁলোকে ব্যৱহাৰ কৰা পদ্ধতিবোৰৰ বিষয়ে কিবা বেছিকৈ জনাব পাৰিবা। তোমাৰ মতে কোনজন বেছি জ্ঞানী? তোমাৰ উত্তৰ সমৰ্থনত যুক্তি দিয়া।

7.8 অৱক্ষয় লিখনৰ পদ্ধতিবোৰ (Methods of recording Depreciation)

হিচাপৰ বহীত স্থায়ী সম্পত্তিৰ ওপৰত অৱক্ষয় হিচাপ লিখাৰ বাবে দুটা ব্যৱস্থা আছে ঃ-

- সম্পত্তিৰ হিচাপত অৱক্ষয় ধাৰ্য কৰি (Charging depreciation)।
- অৱক্ষয়ৰ বাবে ভৰিষ্য ব্যৱস্থা কৰি বা সঞ্চিত অবক্ষয় হিচাপ খুলি।

7.8.1 সম্পত্তিৰ হিচাপত অৱক্ষয় ধাৰ্য কৰি

এই ব্যৱস্থা মতে অৱক্ষয়যোগ্য সম্পত্তিৰ ব্যয়ৰপৰা অৱক্ষয় বাদ দিয়া হয় (সম্পত্তি হিচাপ ক্ৰেডিট কৰা হয়) আৰু লাভ লোকচান হিচাপত ডেবিট দেখুওৱা হয়। ইয়াৰ বাবে জাবেদা প্ৰবিষ্টিবোৰ তলত দিয়া হ'ল-

(a) সম্পত্তি ক্ৰয়ৰ বাবে ঃ- (কেৱল মাত্ৰ ক্ৰয় কৰা বছৰ বাবে)

সম্পত্তিৰ হিচাপ ডেঃ (প্ৰতিস্থাপন ব্যয়, ভাৰা আদি ধৰি সম্পত্তিৰ বাবে হোৱা ব্যয়)

বেংক হিচাপলৈ

(b) প্ৰতি বছৰে তলত দিয়া প্ৰবিষ্টি দুটা লিখা হয় ঃ-

(i) সম্পত্তিৰ মূল্যৰ পৰা অৱক্ষয় বাদ দিয়া

অৱক্ষয় হিচাপ ডেঃ (অৱক্ষয়ৰ পৰিমাণেৰে)

সম্পত্তিৰ হিচাপলৈ

(ii) অৱক্ষয়ৰ পৰিমাণ লাভ লোকচান হিচাপত দেখুওৱা বাবে -

লাভ-লোকচানৰ হিচাপ ডেঃ (অৱক্ষয়ৰ পৰিমাণেৰে)

অৱক্ষয় হিচাপলৈ

(c) উদ্বৃত্ত পত্ৰত উপস্থাপন (Treatment in Balance Sheet):

এই পদ্ধতি প্ৰয়োগ কৰিলে উদ্ধৃত পত্ৰৰ সম্পত্তিৰ দিশত স্থায়ী সম্পত্তি প্ৰকৃত মূল্যত (Net value i.e cost-depreciation till date) দেখুওৱা হয়। ইয়াক মূল মূল্যত (original cost) দেখুওৱা নহয়।

7.8.2 অৱক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপ খুলিলে বা সঞ্চিত অৱক্ষয় হিচাপ খুলিলে

এই পদ্ধতিত স্থায়ী সম্পত্তিৰ বাবে ধাৰ্য অৱক্ষয়বোৰ এটা পৃথক ভৱিষ্য ব্যৱস্থা হিচাপ যেনে— অবক্ষয় পুঁজি হিচাপ বা সঞ্চিত অৱক্ষয় হিচাপ খুলি সঞ্চয় কৰি ৰখা হয়। এনে ধৰণৰ ভৱিষ্য ব্যৱস্থা হিচাপে সম্পত্তিৰ হিচাপৰ বিতৰণৰ প্ৰয়োজন নাইকিয়া কৰে আৰু উদ্বৃত্ত পত্ৰৰ সম্পত্তিৰ জীৱন কালত প্ৰতি বছৰে মূল মূল্যত দেখুওৱা হয়। এই পদ্ধতিত হিচাপ লিখনৰ কিছুমান মূল বৈশিষ্ট্য আছে। এইবোৰ তলত দিয়া হ'ল ঃ-

(i) সম্পত্তিৰ হিচাপ গোটেই জীৱন কাল ধৰি প্ৰতি বছৰে মূল ব্যয়ত দেখুওৱা হয়।

(ii) সম্পত্তিৰ হিচাপত প্ৰতি হিচাপ বৰ্ষৰ শেষত সংযোজন কৰাৰ পৰিবৰ্তে এটা পৃথক হিচাপত অৱক্ষয়বোৰ পুঞ্জীভুত কৰা হয়।

এই পদ্ধতিত তলত দিয়া জাবেদা প্ৰবিষ্টিবোৰ দিয়া হয় ঃ-

1. সম্পত্তি ক্ৰয়ৰ বাবে প্ৰবিষ্টি হ'ব ঃ-

সম্পত্তিৰ হিচাপ ডেঃ (মাত্ৰ কিনা বছৰৰ বাবে)
(প্ৰতিস্থাপন আৰু আন ব্যয় ধৰি সম্পত্তিৰ মুঠ ব্যয়)
বেংক / বিক্ৰেতা হিচাপলৈ (নগদ / বাকী ক্ৰয়)

2. প্ৰতি বছৰে তলত দিয়া জাবেদা প্ৰবিষ্টি দুটা দিয়া হয় ঃ-

(a) অবক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপত অৱক্ষয়ৰ পৰিমাণ ক্ৰেডিট কৰাৰ বাবে ঃ-

অবক্ষয় হিচাপ ডেঃ (অৱক্ষয়ৰ পৰিমাণেৰে)
অৱক্ষয়ৰ ভৱিষ্য ব্যৱস্থা হিচাপলৈ ।

(b) অৱক্ষয়ৰ পৰিমাণটো লাভ-লোকচানৰ হিচাপত দেখুওৱাৰ ঃ-

লাভ-লোকচানৰ হিচাপ ডেঃ (অৱক্ষয়ৰ পৰিমাণেৰে)
অৱক্ষয় হিচাপলৈ

3. উদ্বৃত্ত পত্ৰত উপস্থাপন (Treatment in Balance Sheet)

উদ্বৃত্ত পত্ৰত স্থায়ী সম্পত্তি, সম্পত্তিৰ দিশত মূল ব্যয়ত (Original cost) দেখুওৱা হয় আৰু অবক্ষয় ধাৰ্য কৰিলে সেইটো অবক্ষয় পুঁজি হিচাপত দেখুউৱা হয়। ইয়াক দেনাৰ দিশত দেখুওৱা হয় নতুবা মূল ব্যয়ৰ উদ্বৃত্ত পত্ৰৰ সম্পত্তিৰ দিশত বিয়োগ কৰি দেখুওৱা হয়।

উদাহৰণ ঃ 1

মেছাৰ্ছ সিংঘানিয়া আৰু ব্ৰাদাৰ্চে 2002 চনৰ 1 এপ্ৰিল তাৰিখে 5,00,000 টকাৰে এটা কল কাৰখানা কিনিলে আৰু প্ৰতিস্থাপন ব্যয়ৰ বাবদ 50,000 টকা খৰচ কৰিলে। 10 বছৰ ব্যৱহাৰযোগ্য জীৱন কালৰ পিছত আনুমানিক অৱশিষ্ট মূল্য 10,000 টকা। অৱক্ষয় সৰল বৈখিক পদ্ধতিত ধাৰ্য্য কৰি 2002-03 বছৰৰ বাবে জাবেদা প্ৰবিষ্টি দিয়া আৰু তিনি বছৰৰ বাবে কল কাৰখানা হিচাপ আৰু অবক্ষয় হিচাপ প্ৰস্তুত কৰা। যদি

(i) প্ৰতিবছৰৰ 31 মাৰ্চ তাৰিখত হিচাপ বহী সামৰা কৰা হয় আৰু

(ii) ব্যৱসায়ে সম্পত্তিৰ ওপৰত অৱক্ষয় ধাৰ্য্য কৰে।

সমাধান ঃ সিংঘানিয়া আৰু ব্ৰাদাৰ্চৰ বহীত জাবেদা প্ৰবিষ্টি

তাৰিখ	বিৱৰণ	খঃ পৃঃ	ডেবিট টকা	ক্ৰেডিট টকা
2002 1 এপ্ৰিল	যন্ত্ৰপাতি হিচাপ ডেঃ		5,00,000	
	বেংক হিচাপলৈ			5,00,000
	(5,00,000 টকাৰে যন্ত্ৰপাতি ক্ৰয় কৰা হ'ল)			
1এপ্ৰিল	যন্ত্ৰপাতি হিচাপ ডে ঃ		50,000	
	বেংক হিচাপলৈ			50,000
	(প্ৰতিস্থাপন ব্যয়ৰ বাবদ খৰচ কৰা হ'ল)			
2003 31মাৰ্চ	অবক্ষয় হিচাপ ডেঃ		54,000	
	প্ৰতি যন্ত্ৰপাতি হিচাপ			54,000
	(সম্পত্তিৰ ওপৰত অবক্ষয় ধাৰ্য কৰা হ'ল।)			
31মাৰ্চ	লাভ-লোকচান হিচাপ ডেঃ		54,000	
	অবক্ষয় হিচাপলৈ			54,000
	(অবক্ষয় লাভ-লোকচান হিচাপত ডেবিট কৰা হ'ল)			

যন্ত্ৰপাতি হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2002 1এপ্ৰিল	বেংক (ক্ৰয় মূল্য)	—	5,00,000	2003 31মাৰ্চ	অৱক্ষয় —	—	54,000
	বেংক (প্ৰতিস্থাপন ব্যয়)		50,000		উদ্বৃত্ত আগলৈ	—	4,96,000
			5,50,000				5,50,000
2003 1এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	4,96,000	2004 31মাৰ্চ	অৱক্ষয় —	—	54,000
					উদ্বৃত্ত আগলৈ	—	4,42,000
			4,96,000				4,96,000
2004 1এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	4,42,000	2005 31মাৰ্চ	অৱক্ষয় —	—	54,000
					উদ্বৃত্ত আগলৈ	—	3,88,000
			4,42,000				4,42,000
2005 1এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	3,88,000				

অৱক্ষয় হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2003 31মাৰ্চ	যন্ত্ৰপাতি	—	54,000	2003 31মাৰ্চ	লাভ-লোকচান	—	10,000
			54,000				10,000
2004 31মাৰ্চ	যন্ত্ৰপাতি	—	54,000	2004 31মাৰ্চ	লাভ-লোকচান	—	20,000
			54,000				20,000
2005 31মাৰ্চ	যন্ত্ৰপাতি	—	54,000	2005 31মাৰ্চ	লাভ-লোকচান	—	20,000
			54,000				20,000

টোকা (Working Notes)

(1) মূল ব্যয় নিৰূপণ—

ক্ৰয় মূল্য	5,00,000 টকা
যোগ- প্ৰতিস্থাপন ব্যয়	50,000 টকা
মূল ব্যয়	5,50,000 টকা
অৱশেষ মূল্য	10,000 টকা
ব্যৱহাৰযোগ্য জীৱন কাল	10 বছৰ

(2) অৱক্ষয়ৰ পৰিমাণ $= \dfrac{5,50,000 \text{ টকা} - 10,000 \text{ টকা}}{10 \text{ বছৰ}}$

= 54,000 টকা (প্ৰতি বছৰে)

উদাহৰণ ঃ- 2

মেছাৰ্ছ মেহৰা আৰু সন্‌সে 2003 চনৰ 01অক্টোবৰত 1,80,000 টকাৰে এটা যন্ত্ৰ কিনিলে আৰু প্ৰতিষ্ঠাপন ব্যয়ৰ বাবদ 20,000 টকা খৰচ কৰিলে। প্ৰতিষ্ঠানে বছৰি মূল ব্যয়ৰ ওপৰত 10% হাৰে অৱক্ষয় অৱলেপন কৰে। 2003 চনৰ বাবে জাবেদা প্ৰবিষ্টি দিয়া আৰু প্ৰথম তিনি বছৰৰ বাবে যন্ত্ৰপাতি হিচাপ আৰু অৱক্ষয় হিচাপ প্ৰস্তুত কৰা। যদিহে-

(a) হিচাপবোৰ প্ৰতি বছৰে 31 মাৰ্চত শেষ হয়। আৰু

(b) প্ৰতিষ্ঠানে অৱক্ষয় সম্পত্তিৰ হিচাপত দেখুৱায়।

সমাধান ঃ

মেহৰা আৰু সন্‌সৰ বহীত জাবেদা প্ৰবিষ্টি

তাৰিখ	বিৱৰণ	খঃ পৃঃ	পৰিমাণ (টকা)	পৰিমাণ (টকা)
2003 অক্টোবৰ 01	যন্ত্ৰপাতি হিচাপ ডেঃ বেংক হিচাপলৈ (1,80,000/- টকাৰে যন্ত্ৰপাতি ক্ৰয় কৰা হ'ল)	– –	1,80,000	 1,80,000

অক্টোবৰ 01	যন্ত্ৰপাতি হিচাপ ডেঃ বেংক হিচাপলৈ (প্ৰতিস্থাপন ব্যয় কৰা হ'ল)	– –	20,000	 20,000
2004 মাৰ্চ 31	লাভ-লোকচান হিচাপ ডেঃ অৱক্ষয় হিচাপলৈ (যন্ত্ৰপাতিৰ ওপৰত অবক্ষয় ধাৰ্য কৰা হ'ল)	– –	10,000	 10,000
মাৰ্চ 31	অৱক্ষয় হিচাপ ডেঃ যন্ত্ৰপাতি হিচাপলৈ (লাভ-লোকচান হিচাপত অৱক্ষয় ডেবিট কৰা হ'ল)	– –	10,000	 10,000
2005 মাৰ্চ 31	অৱক্ষয় হিচাপ ডেঃ প্ৰতি যন্ত্ৰপাতি হিচাপ (যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয় ধাৰ্য কৰা হ'ল)	– –	20,000	 20,000
31 মাৰ্চ	লাভ লোকচান হিচাপ ডেঃ প্ৰতি অৱক্ষয় হিচাপ (লাভ-লোকচান হিচাপত অৱক্ষয় ডেবিট কৰা হ'ল)	– –	20,000	 20,000
2006 31 মাৰ্চ	অৱক্ষয় হিচাপ ডেঃ যন্ত্ৰপাতি হিচাপলৈ (যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয় ধাৰ্য্য কৰা হ'ল)	– –	20,000	 20,000
31 মাৰ্চ	লাভ-লোকচানৰ হিচাপ ডেঃ অৱক্ষয় হিচাপলৈ (লাভ-লোকচান হিচাপত অৱক্ষয় ডেবিট কৰা হ'ল)	– –	20,000	 20,000

যন্ত্ৰপাতিৰ হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2003 01 অক্টোবৰ	বেংক - বেংক - (প্ৰতিস্থাপন ব্যয়)	— —	1,80,000 20,000 200,000	2004 31 মার্চ	অৱক্ষয় (6 মাহৰ বাবে) উদ্বৃত্ত আগলৈ	— —	10,000 1,90,000 2,00,000
2004 01 এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	1,90,000 1,90,000	2005 31 মার্চ	অৱক্ষয় — উদ্বৃত্ত আগলৈ	—	20,000 1,70,000 1,90,000
2005 01 এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	1,70,000 1,70,000	2006 31 মার্চ	অৱক্ষয় — উদ্বৃত্ত আগলৈ	—	20,000 1,50,000 1,70,000
2006 01 এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	1,50,000				

অৱক্ষয় হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 31 মার্চ	যন্ত্ৰপাতি	—	10,000 10,000	2004 31 মার্চ	লাভ-লোকচান	—	10,000 10,000
2005 31 মার্চ	যন্ত্ৰপাতি	—	20,000 20,000	2005 31 মার্চ	লাভ-লোকচান	—	20,000 20,000
2006 31 মার্চ	যন্ত্ৰপাতি	—	20,000 20,000	2006 31 মার্চ	লাভ-লোকচান	—	20,000 20,000

টোকা (Working Notes)

1. যন্ত্রপাতিৰ মূল ব্যয় নিৰূপণ

	টকা
ক্রয় মূল্য—	1,80,000
যোগ— প্রতিস্থাপন ব্যয়-	20,000
	2,00,000

2. বছৰি অৱক্ষয় = বছৰি 10% হাৰে 2,00,000 টকাৰ = 20,000 টকা

3. 2003-04 ৰ বাবে 6 মাহৰ অৱক্ষয় ধৰিব লাগে। কাৰণ সম্পত্তিটো 2003 চনৰ 1 অক্টোবৰ তাৰিখেহে আহৰণ কৰা হৈছে। অর্থাৎ 2003-04 বছৰটোত কেৱল মাত্র 6 মাহৰ বাবেহে ব্যৱহাৰ হৈছে।

4. 2003-04 চনৰ বাবে অবক্ষয় = 20,000 × $\frac{6}{12}$ = 10,000 টকা

উদাহৰণ 3

2 নং উদাহৰণৰ তথ্যবোৰৰ ওপৰত ভিত্তি কৰি জাবেদা প্ৰবিষ্টি দিয়া আৰু যন্ত্ৰপাতি হিচাপ, অৱক্ষয় হিচাপ, অৱক্ষয় পুঁজি হিচাপ 3 বছৰৰ বাবে প্ৰস্তুত কৰা। যদিহে প্ৰতিষ্ঠানত অৱক্ষয়ৰ বাবে ভৱিষ্য ব্যৱস্থা ৰখা হয়।

মেহৰা আৰু সনসৰ বহীত যন্ত্ৰপাতি হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2003 01 অক্টোবৰ	বেংক - বেংক - (প্ৰতিস্থাপনৰ ব্যয়)	— —	1,80,000 20,000	2004 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	2,00,000
			200,000				2,00,000
2004 01 এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	2,00,000	2005 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	200,000
			2,00,000				2,00,000

অবক্ষয় ভৰিষ্য ব্যৱস্থা হিচাপ

ডেঃ ক্রেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	10,000	2004 31 মাৰ্চ	অৱক্ষয়	—	10,000
			10,000				10,000
2005 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	30,000	2004 01এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	10,000
				2005 31মাৰ্চ	অৱক্ষয়	—	20,000
			30,000				30,000
2006 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	50,000	2005 01এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	30,000
				2006 31মাৰ্চ	অৱক্ষয়	—	20,000
			50,000				50,000

অবক্ষয় হিচাপ

ডেঃ ক্রেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 31 মাৰ্চ	অবক্ষয় ভৰিষ্য ব্যৱস্থা	—	10,000	2004 31 মাৰ্চ	লাভ-লোকচান	—	10,000
			10,000				10,000
2005 31 মাৰ্চ	অবক্ষয় ভৰিষ্য ব্যৱস্থা	—	20,000	2005 31 মাৰ্চ	লাভ-লোকচান	—	20,000
			20,000				20,000
2006 31 মাৰ্চ	অবক্ষয় ভৰিষ্য ব্যৱস্থা	—	20,000	2006 31 মাৰ্চ	লাভ-লোকচান	—	20,000
			20,000				20,000

উদাহৰণ 4

মেচাচ ডালমিয়া টেক্সটাইল মিলে 2001 চনৰ 1 এপ্ৰিলত 2,00,000 টকাৰ এটা যন্ত্ৰপাতি মেচাৰ্চ আহুজা আৰু সন্‌সৰ পৰা বাকীত কিনিলে আৰু 10,000 টকা প্ৰতিস্থাপন ব্যয় কৰিলে। অবলোপন পদ্ধতি মতে বছৰি 10% হাৰে অবক্ষয় ধাৰ্য্য কৰিব লাগে। প্ৰথম তিনি বছৰৰ বাবে যন্ত্ৰপাতিৰ হিচাপ প্ৰস্তুত কৰা। প্ৰতি বছৰে 31 মাৰ্চত হিচাপ সামৰা হয়।

ডালমিয়া টেক্সটাইলৰ বহীত যন্ত্রপাতিৰ হিচাপ

ডেঃ ক্রেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2001 01 এপ্রিল	বেংক — বেংক —	— —	2,00,000 10,000 2,10,000	2002 31 মার্চ	অৱক্ষয় - উদ্বৃত্ত আগলৈ	— —	21,000 18,9000 2,10,000
2002 01এপ্রিল	উদ্বৃত্ত আগৰ পৰা	—	1,89,000 1,89,000	2003 31 মার্চ	অৱক্ষয়- উদ্বৃত্ত আগলৈ	—	18,900 1,70,100 1,89,000
2003 01এপ্রিল	উদ্বৃত্ত আগৰ পৰা	—	1,70,100 1,70,100	2004 31মার্চ	লাভ-লোকচান উদ্বৃত্ত আগলৈ	—	17,010 1,53,090 1,70,100
2004 01এপ্রিল	উদ্বৃত্ত আগৰ পৰা	—	1,53,090				

সমাধান ঃ-

টোকা (Working Notes) :-

1. অৱক্ষয়ৰ পৰিমাণ নিৰূপণ ঃ- (টকা)

মূল 01-04-2001অত	= (200,000 + 10,000)/-2,10,000
বাদ- 2001-2002 চনৰ বাবে (2,10,000 টকাৰ 10%) হাৰে অৱক্ষয়	21,000/-
অৱলোপন মূল্য 2002 চনৰ 31 মার্চত =	1,89,000/-
বাদ ঃ 2002-2003 বছৰৰ বাবে 10% হাৰে অৱক্ষয়=	18,900/-
অৱলোপন মূল্য 2003 চনৰ 31মার্চত =	1,70,100/-
বাদ ঃ 2003-2004বছৰৰ বাবে 10% হাৰে অৱক্ষয়=	1,7,010/-
অৱলোপন মূল্য 2004 চনৰ 31 মার্চত =	1,53,090/-

উদাহৰণ 5

মেচার্চ চাহানি এণ্টাৰপ্রাইজে 2001চনৰ 01জুলাইত 40,000 টকাৰে এটা ছপা যন্ত্র কিনিলে আৰু পৰিবহণ আৰু প্রতিস্থাপন ব্যয়ৰ বাবদ 5000 টকা ব্যয় কৰিলে। 2003 চনৰ 1 জানুৱাৰীত 35,000 টকাৰে আৰু এটা যন্ত্র কিনিলে। অবলোপন মূল্য পদ্ধতিত 20% হাৰে বছৰি অবক্ষয় ধার্য্য কৰিব লাগে। প্রতি বছৰে 31মার্চত হিচাপ বর্ষ শেষ হয় বুলি, 4 বছৰৰ বাবে ছপা যন্ত্র হিচাপ প্রস্তুত কৰা।

সমাধান ঃ

চাহানি এণ্টাৰপ্ৰাইজৰ বহীত ছপা যন্ত্ৰ হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2001 01 জুলাই	বেংক হিচাপ	—	40,000	2002 31 মাৰ্চ	অৱক্ষয়	—	6,750
	বেংক-		5,000	”	সামৰণী উদ্বৃত্ত		38,250
			45,000				45,000
2002 01 এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	38,250	2003 31 মাৰ্চ	অৱক্ষয়	—	9,400
2003 01 জানুৱাৰী	বেংক		35,000	”	সামৰণী উদ্বৃত্ত	—	63,850
			73,250				73,250
2003 01এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	63,850	2004 31 মাৰ্চ	অৱক্ষয়	—	12,770
					সামৰণী উদ্বৃত্ত	—	51,080
			63,850				63,850
2004 01এপ্ৰিল	উদ্বৃত্ত আগৰ পৰা	—	51,080				

টোকা (Working Notes)

	(টকা)
2001 চনৰ 1 জুলাইত যন্ত্ৰৰ মূল ব্যয়-	45,000
বাদ- 2002 চনৰ 31মাৰ্চলৈ 20% হাৰে 9 মাহৰ অবক্ষয়	6,750
2002 চনৰ 31 মাৰ্চত অৱলোপন মূল্য =	38,250
2003 চনৰ 1 জানুৱাৰীত ক্ৰয় কৰা যন্ত্ৰৰ খৰচ =	35,000
	73,250
বাদ- 2003-04 বছৰৰ বাবে অৱক্ষয় 20% হাৰে =	9,400
(38,250 টকাৰ 1বছৰৰ আৰু 35,000/-টকাৰ 3মাহৰ)	
2003 চনৰ 31 মাৰ্চত অৱলোপন মূল =	63,850
বাদ- 2003-04 বছৰৰ বাবে অৱক্ষয়-	12,770
2009 চনত ৰ এপ্ৰিলত অৱলোপন মূল্য	51,080

কি বুজিলা চোৱা - 4

বছৰীয়া এণ্টাৰপ্ৰাইজে 2003 চনৰ 1 জুলাইত 1,00,000 টকাৰে এটা শীতল ভঁৰালৰ প্লাণ্ট কিনিলে। তলৰ পদ্ধতিবোৰলৈ অৱক্ষয় ধাৰ্যৰ পৰিমাণ তুলনা কৰা।

1. মূল ব্যয়ৰ ওপৰত 10 % হাৰে অৱক্ষয়ৰ ধৰিলে।
2. অবলেপন মূল্যৰ ওপৰত বছৰি 10 % হাৰে অবক্ষয় ধৰিলে।
3. লগে লগে এই অবক্ষয়ৰ পৰিমাণবোৰ লেখ কাগজত বহুৱা।

7.9 সম্পত্তিৰ বিক্ৰী (Disposal of Assets)

সম্পত্তিৰ বিক্ৰী দুটা কাৰণত হ'ব পাৰে— (a) ব্যৱহাৰযোগ্য জীৱনকাল শেষ হোৱাৰ পাছত আৰু (b) ব্যৱহাৰযোগ্য জীৱন কালৰ ভিতৰত অপ্ৰচলন বা অন্য যি কোনো আকস্মিক কাৰণত। যদিহে ব্যৱহাৰযোগ্য জীৱন কাল শেষ হোৱাৰ পিচত ইয়াক বিক্ৰী কৰা হয়, তেন্তে সম্পত্তি বিক্ৰী কৰি যি মূল্য পোৱা হয় তাৰপৰা অৱশিষ্ট মূল্য সম্পত্তিৰ হিচাপত ক্ৰেডিট কৰিব লাগে আৰু বাকী টকা লাভ-লোকচান হিচাপলৈ স্থানান্তৰ কৰিব লাগে। ইয়াৰ বাবে তলৰ প্ৰবিষ্টিবোৰ দিয়া হয় ঃ-

1. অৱশিষ্ট মূল্যৰ সম্পত্তি বিক্ৰীৰ বাবদ ঃ-

    বেংক হিচাপ ডেঃ

        সম্পত্তিৰ হিচাপলৈ

2. সম্পত্তিৰ হিচাপত ৰাহি স্থানান্তৰৰ বাবে ঃ-

    (a) লাভ হ'লে—

    সম্পত্তিৰ হিচাপ ডেঃ

        লাভ-লোকচান হিচাপলৈ

    (b) লোকচান হ'লে—

    লাভ-লোকচান হিচাপ ডেঃ

        সম্পত্তিৰ হিচাপলৈ

উদাহৰণ স্বৰূপে আৰ এছ লিমিটেডে 4,00,000 টকাৰে এখন গাড়ী কিনিলে। 4 বছৰ পিছত ইয়াৰ অৱশিষ্ট মূল্য 40,000 টকা হব বুলি অনুমান কৰা হ'ল। সৰল ৰৈখিক পদ্ধতি অবলম্বন কৰি অবক্ষয় ধাৰ্য কৰিব লাগে। যদিহে অবশিষ্ট সম্পত্তি 50,000 টকাত বিক্ৰী কৰা হয়। তেন্তে 4 বছৰৰ বাবে গাড়ীৰ হিচাপ দেখুওৱা। যদিহে—

(a) অবক্ষয় সম্পত্তিৰ হিচাপত দেখুওৱা হয়।

(b) অবক্ষয়ৰ ভবিষ্য ব্যৱস্থা হিচাপ খোলা হয়।

(a) যেতিয়া অৱক্ষয় সম্পত্তি হিচাপত দেখুওৱা হয়

আৰ এছ লিমিটেডৰ বহীত গাড়ীৰ হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
প্ৰথম বছৰৰ	বেংক	—	4,00,000	প্ৰথম বছৰৰ শেষত	অৱক্ষয়	—	90,000
					উদ্বৃত্ত আগলৈ	—	3,10,000
			4,00,000				4,00,000
২য় বছৰ	উদ্বৃত্ত আগৰ পৰা	—	3,10,000	২য় বছৰৰ শেষত	অৱক্ষয়	—	90,000
					উদ্বৃত্ত আগলৈ	—	2,20,000
			3,10,000				3,10,000
৩য় বছৰ	উদ্বৃত্ত আগৰ পৰা	—	2,20,000	৩য় বছৰৰ শেষত	অৱক্ষয়	—	90,000
					উদ্বৃত্ত আগলৈ	—	1,30,000
			2,20,000				2,20,000
৪ৰ্থ বছৰ	উদ্বৃত্ত আগৰ পৰা	—	1,30,000	৪ৰ্থ বছৰৰ শেষত	অৱক্ষয়	—	90,000
	লাভ-লোকচান (গাড়ী বিক্ৰীত হোৱা লাভ)	—	10,000		বেংক	—	50,000
			1,40,000				1,40,000

(b) যেতিয়া অৱক্ষয়ৰ ভৱিষ্য ব্যৱস্থা হিচাপ ৰখা হয় ঃ-

গাড়ীৰ হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
১ম বছৰৰ	বেংক	—	400,000	১ম বছৰৰ শেষত	উদ্বৃত্ত আগলৈ	—	4,00,000
			4,00,000				400,000
২য় বছৰ	উদ্বৃত্ত আগৰ পৰা	—	4,00,000	২য় বছৰৰ শেষত	উদ্বৃত্ত আগলৈ	—	4,00,000
			4,00,000				4,00,000

৩য় বছৰ	উদ্বৃত্ত আগৰ পৰা	—	4,00,000	৩য় বছৰৰ শেষত	উদ্বৃত্ত আগলৈ	—	4,00,000
			4,00,000				4,00,000
৪ৰ্থ বছৰ	উদ্বৃত্ত আগৰ পৰা	—	4,00,000	৪ৰ্থ বছৰৰ শেষত	অবক্ষয় পুঁজি	—	3,60,000
”	লাভ-লোকচান (গাড়ী বিক্ৰীত হোৱা লাভ)	—	10,000		বেংক	—	50,000
			4,10,000				4,10,000

অবক্ষয় ভবিষ ব্যৱস্থা হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিবৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
১ম বছৰৰ	উদ্বৃত্ত আগলৈ	—	90,000	১ম বছৰৰ শেষত	অৱক্ষয়	—	90,000
			90,000				90,000
২য় বছৰৰ শেষত	উদ্বৃত্তআগলৈ	—	1,80,000	২য় বছৰৰ শেষত	উদ্বৃত্ত আগৰ পৰা	—	90,000
					অৱক্ষয়		90,000
			1,80,000				1,80,000
৩য় বছৰৰ শেষত	উদ্বৃত্তআগলৈ	—	2,70,000	৩য় বছৰৰ শেষত	উদ্বৃত্ত আগৰ পৰা	—	1,80,000
					অৱক্ষয়	—	90,000
			2,70,000				2,70,000
৪ৰ্থ বছৰৰ শেষত	গাড়ীৰ হিচাপ	—	3,60,000	৪ৰ্থ বছৰৰ শেষত	উদ্বৃত্ত আগৰ পৰা	—	2,70,000
					অৱক্ষয়	—	90,000
			3,60,000				3,60,000

7.9.1 সম্পত্তি বিক্রয় হিচাপৰ প্ৰয়োগ (use of Asset Disposal A/c)

সম্পত্তি বিক্ৰীৰ লগত জড়িত সকলো লেনদেনৰ সম্পূৰ্ণ আৰু স্পষ্ট ছবি এই হিচাপত দেখুৱাব পাৰি। ইয়াৰ লগত জড়িত বিষয়বোৰ হ'ল— সম্পত্তিৰ মূল ব্যয়, ব্যৱহাৰৰ বাবে ৰখা সম্পত্তি অংশৰ মূল্য, সম্পত্তিৰ বিক্ৰী দাম, বৰ্তমানলৈকে থকা সঞ্চিত অবক্ষয়, বিক্ৰীৰ ফলত হোৱা লাভ বা লোকচান। এই হিচাপৰ যি লাভ বা লোকচান সেইটো লাভ-লোকচান হিচাপলৈ স্থানান্তৰ কৰা হয়।

সাধাৰণতে সম্পত্তিৰ অংশ বিক্ৰী কৰিলে আৰু অৱক্ষয় ভবিষ্য ব্যৱস্থা হিচাপ ৰাখিলে, এই পদ্ধতি ব্যৱহাৰ কৰা হয়।

এই পদ্ধতিৰ সম্পত্তিৰ বিক্ৰয় হিচাপ নামৰ এটা নতুন হিচাপ ৰখা হয়। বিক্ৰী কৰা সম্পত্তিৰ

মূল ব্যয়, সম্পত্তি বিক্রয় হিচাপত ডেবিট কৰা হয়। অৱক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপত সম্পত্তিৰ বিক্ৰীৰ সময়লৈ থকা সঞ্চিত অৱক্ষয়ৰ পৰিমাণ এই হিচাপত ক্ৰেডিট কৰা হয়। সম্পত্তি বিক্ৰী কৰি পোৱা টকাৰ পৰিমাণ এই হিচাপত ক্ৰেডিট কৰা হয়। সম্পত্তি বিক্রয় হিচাপে দেখুওৱা উদ্বৃত্তই লাভ বা লোকচান বুজায় আৰু ইয়াক লাভ-লোকচান হিচাপলৈ স্থানান্তৰ কৰা হয়। এই পদ্ধতিৰ সুবিধা এয়ে যে, সম্পত্তি বিক্ৰী সম্পৰ্কীয় লেনদেনৰ সম্পূৰ্ণ প্ৰতিচ্ছবি ই দাঙি ধৰে। সম্পত্তি বিক্ৰী সম্পৰ্কীয় প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টিসমূহ তলত দিয়া হ'ল ঃ-

1. সম্পত্তি বিক্রয় হিচাপ ডেঃ (বিক্ৰী কৰা সম্পত্তিৰ মূল ব্যয়)
   সম্পত্তিৰ হিচাপলৈ
2. অৱক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপ ডেঃ
   সম্পত্তিৰ বিক্রয় হিচাপলৈ
3. বেংক হিচাপ ডেঃ (প্ৰকৃত বিক্ৰী মূল্যৰে)
   সম্পত্তি বিক্রয় হিচাপলৈ

অৱশেষত সম্পত্তি বিক্রয় হিচাপে ডেবিট বা ক্ৰেডিট উদ্বৃত্ত দেখুৱাব। ডেবিট উদ্বৃত্ত হলে লোকচান আৰু ক্ৰেডিট উদ্বৃত্ত হ'লে লাভ বুজাব।

4. লোকচান হোৱাৰ বাবে ঃ-
   লাভ-লোকচান হিচাপ ডেঃ
   সম্পত্তি বিক্রয় হিচাপলৈ
5. লাভ হোৱাৰ বাবে ঃ-
   সম্পত্তি বিক্রয় হিচাপ ডেঃ
   লাভ-লোকচান হিচাপলৈ

উদাহৰণ স্বৰূপে, 2005 চনৰ 31 মাৰ্চত কৰণ এণ্টাৰপ্ৰাইজৰ তলত দিয়া উদ্বৃত্তবোৰ আছিল

যন্ত্ৰপাতি মূল ব্যয় 6,00,000 টকা

অৱক্ষয় পুঁজি হিচাপ 2,50,000 টকা

2001 চনৰ 1 নবেম্বৰত 1,00,000 টকাৰ এটা যন্ত্ৰপাতি কিনা হৈছিল। ইয়াৰ সঞ্চিত অৱক্ষয়ৰ পৰিমাণ 60,000 টকা। যন্ত্ৰটো 2006 চনৰ 1 এপ্ৰিলত 35,000 টকাত বিক্ৰী কৰা হ'ল। ইয়াৰ বাবে তলত দিয়া ধৰণে সম্পত্তি বিক্রয় হিচাপ প্ৰস্তুত কৰা হ'ব-

***টোকা** (Working Notes)*

সমাধান কৰণ এণ্টাৰ প্ৰাইজৰ বহীত

ডেঃ **যন্ত্ৰপাতি বিক্ৰয় হিচাপ** ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2006 01 এপ্ৰিল	যন্ত্ৰপাতি	—	1,00,000	2006 01 এপ্ৰিল	অৱক্ষয় পুঁজি	—	60000
					বেংক	—	35,000
				"	লাভ-লোকচান (বিক্ৰীৰ লোকচান)	—	5,000
			1,00,000				1,00,000

ডেঃ **যন্ত্ৰপাতি হিচাপ** ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃসঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃসঃ	পৰিমাণ (টকা)
2005 31 মাৰ্চ	উদ্বৃত্ত আগৰ পৰা	—	6,00,000	2005 01 এপ্ৰিল	যন্ত্ৰপাতি বিক্ৰয়	—	1,00,000
				2006 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	5,00,000
						—	
			6,00,000				6,00,000

টোকা ঃ (Working Notes)

1. যন্ত্ৰপাতি বিক্ৰীৰ পৰা হোৱা লোকচান ঃ- টকা

মূল ব্যয় (বিক্ৰী কৰা যন্ত্ৰপাতিৰ)	1,00,000
বাদ- সঞ্চিত অৱক্ষয়-	60,000
	40,000
আদায়ীকৃত বিক্ৰী মূল্য-	35,000
বিক্ৰীত হোৱা লোকচান (অৰ্থাৎ40000 টকা -3500 টকা)	5,000

উদাহৰণ ঃ 6

2001 চনৰ 1 জানুৱাৰীত খোচলা পৰিবহন কোম্পানীয়ে 20,000 টকাকৈ 5 খন ট্ৰাক কিনিলে। মূল ব্যয়ৰ ওপৰত বছৰি 10% হাৰে সৰল বৈখিক পদ্ধতিত অৱক্ষয় ধাৰ্য্য কৰিব লাগে আৰু সঞ্চিত পুঁজি হিচাপ ৰখা হ'ল। 2002 চনৰ 1 জানুৱাৰীত 15,000 টকাত এখন ট্ৰাক বিক্ৰী কৰা হ'ল। 2003 চনৰ 1 জুলাইত আৰু এখন ট্ৰাক 18,000 টকাত বিক্ৰী কৰা হ'ল (1.1.-2001 অত 20,000 টকাত কিনা

হৈছিল) 2003 চনৰ 1অক্টোবৰত 30,000 টকা খৰচ কৰি আৰু এখন ট্ৰাক কিনা হ'ল। প্ৰতিষ্ঠানে প্ৰতি 31 ডিচেম্বৰত হিচাপ সামৰে। 2001, 2002 আৰু 2003 বছৰকেইটাৰ বাবে ট্ৰাক হিচাপ, অৱক্ষয় পুঁজি হিচাপ, আৰু ট্ৰাক বিক্ৰয় হিচাপ প্ৰস্তুত কৰা।

টোকা (Working Notes)

সমাধান

খোচলা পৰিবহণ কোম্পানীৰ বহীত

ট্ৰাক হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2001 1 জানুৱাৰী	বেংক (ট্ৰাক ক্ৰয়)	—	1,00,000	2001 31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	1,00,000
			1,00,000			—	1,00,000
2002 1 জানুৱাৰী	উদ্বৃত্ত আগৰ পৰা	—	1,00,000	2001 1 জানুৱাৰী	ট্ৰাক বিক্ৰী	—	20,000
				31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	80,000
			1,00,000				1,00,000
2003 1 জানুৱাৰী	উদ্বৃত্ত আগৰ পৰা	—	80,000	2003 1 জুলাই	ট্ৰাক বিক্ৰী	—	20,000
1 অক্টোবৰ	বেংক (ট্ৰাক ক্ৰয়)	—	30,000	31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	90,000
			110,000				110,000

ট্ৰাক বিক্ৰয় হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2002 01 জানুৱাৰী	যন্ত্ৰপাতি-	—	20,000	2002 01 জানুৱাৰী	অৱক্ষয় ভৱিষ্যত	—	2,000
					ব্যৱস্থা	—	15,000
					বেংক (বিক্ৰী)	—	3,000
			20,000	"	লাভ-লোকচান		20,000
2003 01 জুলাই 01	যন্ত্ৰপাতি-	—	20,000	2003 01 জুলাহ	(বিক্ৰীৰ লোকচান	—	5,000
	লাভ-লোকচান	—	3,000		অৱক্ষয় ভৱিষ্য ব্যৱস্থা 2000+2000+1000	—	18,000
			23,000		বেংক (বিক্ৰী)		23,000

অৱক্ষয় পুঁজিৰ হিচাপ

ডেঃ ক্রেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2001 31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	10,000	2001 31 ডিচেম্বৰ	অৱক্ষয় -	—	10,000
			10,000			—	10,000
2002 01 জানুৱাৰী	ট্রাক বিক্রী -	—	2,000	2002 01 জানুৱাৰী	উদ্বৃত্ত আগৰ পৰা	—	10,000
31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	16,000	31 ডিচেম্বৰ	অৱক্ষয় -	—	8,000
			18,000				18,000
2003 01 জানুৱাৰী	ট্রাক বিক্রী -	—	5,000	2003 01 জানুৱাৰী	উদ্বৃত্ত আগৰ পৰা	—	16,000
31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	18,750	31 ডিচেম্বৰ	অৱক্ষয় - (6,000 +1,000 + 750)	—	7,750
			23,750				23,750

1. *অৱক্ষয়ৰ পৰিমাণ নিৰূপণ ঃ-*

	(টকা)
2001বছৰৰ বাবে 10% হাৰে 1,00,000 টকাৰ =	10,000
2002 " " 10% হাৰে 80,000 টকাৰ =	8,000
2003 " " 10% হাৰে 60,000 টকাৰ =	6,000
10% হাৰে 20,000 টকাৰ 6মাহৰ=	1,000
10% হাৰে 30,000 টকাৰ 3মাহৰ=	750
	7,750 টকা

2. *প্রথম ট্রাকখন বিক্রীৰ বাবে হোৱা লোকচান ঃ-*

	(টকা)
2001চনৰ 1জানুৱাৰীত মূল ব্যয় =	20,000
বাদ- অৱক্ষয় (10% হাৰে 1বছৰৰ)=	2,000
2002 চনৰ 1জানুৱাৰীত লিখিত মূল্য =	18,000
2002 চনৰ 1 জানুৱাৰীত বিক্রী মূল্য =	15,000

এতেকে প্ৰথম ট্ৰাকখন বিক্ৰী কৰি হোৱা লোকচান= 3,000 টকা

3. 2 য় ট্ৰাকখন বিক্ৰী কৰি হোৱা লাভ ঃ-

বাদ 2001চনৰ 1 জানুৱাৰীত মূল ব্যয় =	20,000 টকা
বাদ 2001 চনৰ বাবে 10% হাৰে অৱক্ষয় =	2,000 টকা
বাদ 2002 চনৰ বাবে 10% হাৰে অৱক্ষয়=	2,000 টকা
বাদ 2003 চনৰ বাবে 10% হাৰে 6 মাহৰ অৱক্ষয়=	1,000 টকা
2003 চনৰ 1জুলাইত ট্ৰাকৰ লিখিত মূল্য= (20,000-5,000)=	15,000 টকা
2003 চনৰ 1 জুলাইত ট্ৰাকৰ বিক্ৰী দাম=	18,000 টকা
বিক্ৰীৰ পৰা হোৱা লাভ = (18,000-15,000)=	3,000 টকা

উদাহৰণ 7

2004 চনৰ 1 এপ্ৰিলত মেচাৰ্চ কনিষ্কৰ বহীত তলত দিয়া উদ্বৃত্ত বোৰ পোৱা গ'ল। আচবাব হিচাপত 50,000 টকা, আচবাবৰ অৱক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপত 22,000 টকা। 2004 চনৰ 1 অক্টোবৰত, 2000 চনৰ 1এপ্ৰিলত 20,000 টকাত কিনা আচবাবটো 5,000 টকাত বিক্ৰী কৰা হ'ল আৰু একে দিনাই 25,000 টকাৰে এটা নতুন আচবাব কিনিলে। সম্পত্তিৰ মূল ব্যয়ৰ ওপৰত 10% হাৰে অৱক্ষয় ধাৰ্য কৰিব লাগে। আচবাব বিক্ৰীৰ বছৰত কোনো অৱক্ষয় ধাৰ্য কৰা হোৱা নাই। 2005 চনৰ 31মাৰ্চত শেষ হোৱা বছৰৰ বাবে আচবাব হিচাপ আৰু অৱক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপ প্ৰস্তুত কৰা।

***টোকা** (Working Notes)*

সমাধান

কনিষ্ক ট্ৰেডাৰ্চৰ বহীত

আচবাব হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 01 এপ্ৰিল	আহৰ পৰা উদ্বৃত্ত	—	50,000	2004 01 অক্টোবৰ	বেংক (বিক্ৰী)	—	5,000
					অৱক্ষয় পুঁজি	—	8,000
					লাভ-লোকচান	—	7,000
01 অক্টোবৰ	বেংক (ক্ৰয়)	—	25,000		উদ্বৃত্ত আগলৈ	—	55,000
			75,000				75,000

ডেঃ **আচবাবৰ অৱক্ষয় পুঁজি হিচাপ** ক্রেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 01 এপ্রিল	আচবাব- (বিক্রী কৰা আচবাবৰ ওপৰত অৱক্ষয় পুঁজি)	—	8,000	2004 01 এপ্রিল	আৰম্ভণী উদ্বৃত্ত	—	22,000
2005 31 মার্চ	সামৰণী উদ্বৃত্ত	—	18,250	2005 31 মার্চ	অৱক্ষয়- (3000+1,250)	—	4,250
			26,250				26,250

1. অৱক্ষয়ৰ পৰিমাণ নিৰূপণ ঃ-

বিক্রীত হোৱা লোকচানৰ পৰিমাণ নিৰূপণ ঃ-	(টকা)
01-04-2004ত আচবাবৰ মূল ব্যয় =	20,000
বাদ ঃ- 4 বছৰৰ অৱক্ষয়	
01-04-2000 ৰ পৰা 31-03-04লৈ	8,000
(বিক্রী বছৰত কোনো অৱক্ষয় নাই)	
01-04-2004 অত লিখিত মূল্য =	12,000
বিক্রী মূল্য-	5,000
আচবাব বিক্রীৰ পৰা হোৱা লোকচান=	7,000

2. 2004-2005 বছৰৰ বাবে অৱক্ষয় ঃ-

10% হাৰে 30,000 টকাৰ ওপৰত (50,000-20,000)	= 3,000 টকা
10% হাৰে 25,000 টকাৰ ওপৰত 6 মাহৰ =	1,250 টকা
	4,250 টকা

উদাহৰণ 8

যদি আচবাব বিক্রয় হিচাপ প্রস্তুত কৰা হয়, তেন্তে 7 নং উদাহৰণটোলৈ আচবাব হিচাপ আৰু আচবাবৰ অৱক্ষয়ৰ ভৱিষ্য ব্যৱস্থা হিচাপ প্রস্তুত কৰা।

অনিল ট্ৰেডাৰ্চৰ বহীত

আচবাব হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 01 এপ্ৰিল	আগৰ পৰা উদ্বৃত্ত	—	50,000	2004 01 এপ্ৰিল অক্টোবৰ	আচবাব বিক্ৰয়	—	20,000
01 অক্টোবৰ	বেংক	—	25,000	2005 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	55,000
			75,000				75,000

আচবাবৰ অৱক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 01 অক্টোবৰ	আচবাব বিক্ৰয়-	—	8,000	2004 01 এপ্ৰিল	উদ্বৃত্ত আগৰলৈ	—	22,000
2005 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	18,250	2005 31 মাৰ্চ	অৱক্ষয়-	—	4,250
			26,250				26,250

আচবাব বিক্ৰয় হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 01 অক্টোবৰ	আচবাব -	—	20,000	2004 01 অক্টোবৰ	অৱক্ষয় পুঁজি	—	8,000
					বেংক (বিক্ৰী)	—	5,000
					লাভ-লোকচান (বিক্ৰীত হোৱা লোকচান)	—	7,000
			20,000				20,000

উদাহৰণ 9

2001 চনৰ 1 জানুৱাৰীত জৈন এণ্ড সনসে 2,00,000 টকাৰে এটা পুৰণি কাৰখানা কিনিলে আৰু ভাঙি অনা ব্যয় (overhauling) বাবদ 10,000 টকা খৰচ কৰিলে।প্ৰতিষ্ঠাপন আৰু পৰিবহণ ব্যয়ৰ বাবদ 5,000 টকা খৰচ হ'ল। সম্পত্তিৰ অৱলোপন মূল্যৰ ওপৰত বছৰি 20% হাৰে অৱক্ষয় ধাৰ্য কৰিব লাগে। 2004 চনৰ 31 জুলাইত কাৰখানাটো জুইয়ে ধ্বংস কৰিলে আৰু 50,000 টকা বীমা কোম্পানীয়ে বীমা দাবী স্বীকাৰ কৰিলে। কাৰখানা হিচাপ, অৱক্ষয় ভৱিষ্যত ব্যৱস্থা হিচাপ আৰু যন্ত্ৰপাতি বিক্ৰয় হিচাপ প্ৰস্তুত কৰা। ধৰা হ'ল কোম্পানীয়ে প্ৰতি বছৰে 31ডিচেম্বৰত হিচাপ সামৰে।

সমাধান

জৈন আৰু সনস্‌ৰ বহীত

কাৰখানা হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃসঃ	পৰিমাণ (টকা)
2001 01 জানুৱাৰী	বেংক (ক্ৰয়)	—	2,15,000	2001 31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	2,15,000
			2,15,000				2,15,000
2002 01 জানুৱাৰী	উদ্বৃত্ত আগৰ পৰা	—	2,15,000	2002 31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	2,15,000
			2,15,000				2,15,000
2003 01 জানুৱাৰী	উদ্বৃত্ত আগৰ পৰা	—	2,15,000	2003 31 ডিচেম্বৰ	উদ্বৃত্ত আগলৈ	—	2,15,000
			2,15,000				2,15,000
2004 01 জানুৱাৰী	উদ্বৃত্ত আগৰ পৰা	—	2,15,000	2004 31 ডিচেম্বৰ	কাৰখানা বিক্ৰয় হিচাপ	—	2,15,000
			2,15,000				2,15,000

অৱক্ষয় পুঁজি হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2001 31 ডিচে	সামৰণী উদ্বৃত্ত-	—	43,000	2001 31 ডিচে	অৱক্ষয়-	—	43,000
			43,000				43,000

2002 01জানু	সামৰণী উদ্বৃত্ত	—	77,400	2002 01জানু	আৰম্ভণী উদ্বৃত্ত অৱক্ষয়		43000 34,400
			77,400				77,400
2003 31 ডিচেম্বৰ	সামৰণী উদ্বৃত্ত		1,04,920	2003 01জানু 31ডিচে	আৰম্ভণী উদ্বৃত্ত অৱক্ষয়		77,400 27,520
			1,04,920				1,04,920
2004 31 জুলাই	সামৰণী উদ্বৃত্ত		1,17,763	2004 01জানু 31জুলাই	আৰম্ভণী উদ্বৃত্ত অৱক্ষয়		1,04,920 12,843
			1,17,763				1,17,763

কাৰখানা বিক্ৰয় হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 31 জুলাই	কাৰখানা		2,15,000	2004 31 জুলাই	সঞ্চিত অৱক্ষয় বীমা কোম্পানি লাভ-লোকচান (বিক্ৰীত হোৱা লোকচান)		1,17,763 50,000 47,273
			2,15,000				2,15,000

টোকা (Working Notes)

1. অৱক্ষয়ৰ পৰিমাণ নিৰূপণ ঃ-

বিক্ৰীত হোৱা লোকচানৰ পৰিমাণ নিৰূপণ ঃ- (টকা)

মূল ব্যয় 01-01-2001তাৰিখে (2,00,000+10,000+5,000) = 2,15,000

প্ৰথম বছৰৰ অৱক্ষয় (20% হাৰে 2,15,000 টকাৰ) = 43,000

01-01-2003 তাৰিখে অৱলোপন মূল্য = 1,72,000

2002 চনৰ বাবে অৱক্ষয় (20 % হাৰে 1,72,600 উদ্বৃত্তৰ)	
	= 34,400
01-01-2003 তাৰিখে অৱলোপন মূল্য =	1,37,600
2003 চনৰ বাবে অৱক্ষয় (20 % হাৰে 1,37,600টকাৰ)	
	= 27,520
01-01-2004 তাৰিখে অৱলোপন মূল্য =	1,10,080
2004 চনৰ বাবে 31জুলাইলৈ অৱক্ষয় (20% হাৰে 1,10,080টকা)	
	= 12,843
31-7-2004 অত অৱলোপন মূল্য	= 97,237
বীমা কোম্পানীৰ পৰা আদায়	= 50,000
সম্পত্তিৰ পৰা হোৱা লোকচান	= 47,237

7.10. বৰ্তমানে থকা সম্পত্তিত নতুনকৈ যোগ বা বৃদ্ধি হ'লে তাৰ প্ৰভাৱ (Effect of any addition and extension to the existing Assets)

বৰ্তমান থকা সম্পত্তিৰ কাৰ্য্য ক্ষমতা বৃদ্ধিৰ বাবে কিছু নতুন অংশৰ সংযোজন বা বৃদ্ধিৰ প্ৰয়োজন হব পাৰে। তেনে সংযোজন বা বৃদ্ধি বৰ্তমান সম্পত্তিৰ অবিচ্ছেদ্য অংশ নহবও পাৰে। তেনে সংযোজন বা বৃদ্ধিৰ বাবে হোৱা ব্যয়ক মূলধনী ব্যয় বুলি ধৰা হয় আৰু সম্পত্তিৰ জীৱন কালত অৱক্ষয় হিচাপে অৱলোপন কৰা হয়। উল্লেখযোগ্য যে সাধাৰণ মেৰামতি আৰু প্ৰতিপালন ওপৰিও ইয়াৰ বাবে অতিৰিক্ত ব্যয় কৰা হয়। হিচাপ কৰণৰ মান -6- (সংশোধিত) অত উল্লেখ কৰিছে যে—

(i) বৰ্তমান সম্পত্তিৰ অবিচ্ছেদ্য অংশ হিচাপে নতুন কৈ যোগ বা বৃদ্ধি হ'লে, ইয়াক ব্যৱহাৰযোগ্য জীৱন কালত অৱলোপন (written off) কৰিব লাগিব।

(ii) এই নতুন সংযোজন বা বৃদ্ধিৰ ওপৰত অৱক্ষয়ৰ হাৰ বৰ্তমান সম্পত্তিৰ অৱক্ষয়ৰ হাৰৰ সৈতে একেই।

(iii) যদিহে এই সংযোজিত বা বৰ্দ্ধিত সম্পত্তিৰ নিজা পৰিচয় থাকে আৰু বৰ্তমান সম্পত্তিৰ বিক্ৰীৰ পিছতো ইয়াক ব্যৱহাৰ কৰিব পাৰি, তেন্তে ইয়াৰ নিজৰ জীৱন কালৰ ওপৰত পৃথকে অৱক্ষয় ধাৰ্য্য কৰিব লাগে।

উদাহৰণ 10

মেছাৰ্ছ ডিজিটেল ষ্টুডিওয়ে 2001 চনৰ 1 এপ্ৰিলত 8,00,000 টকাৰে এটা যন্ত্ৰপাতি কিনিলে। মূল ব্যয়ৰ ওপৰত বছৰি 10% হাৰে সৰল ৰৈখিক পদ্ধতিত অবক্ষয় ধাৰ্য কৰিব লাগে। 2002 চনৰ 1এপ্ৰিলত সম্পত্তিটোৰ কাৰ্যদক্ষতা বৃদ্ধিৰ বাবে 80,000 টকা ব্যয় কৰি কিছু পৰিৱৰ্তন কৰা হ'ল। এই সম্পত্তিৰ ওপৰতো বছৰি 10% হাৰে অৱক্ষয় একে পদ্ধতিত ধাৰ্য্য কৰিব লাগে। 2003-04 বছৰত প্ৰতিপালন ব্যয় 2000টকা যন্ত্ৰ হিচাপ, অৱক্ষয় পুঁজি হিচাপ আৰু 2003 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰৰ বাবে লাভ-লোকচান হিচাপ কৰি দেখুওৱা।

সমাধান

ডিজিটেল ষ্টুডিওৰ বহীত

যন্ত্ৰৰ হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2002 01 এপ্ৰিল	উদ্বৃত্ত আগ ৰ পৰা বেংক	— —	8,00,000 80,000	2003 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	8,80,000
			8,80,000				8,80,000

অবক্ষয় পুঁজি হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2003 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	4,96,000	2002 01 এপ্ৰিল	উদ্বৃত্ত আগ ৰ পৰা	—	3,20,000
				2003 31 মাৰ্চ	অৱক্ষয়	—	1,76,000
			4,96,000				4,96,000

টোকা

1. পৰিৱৰ্তনৰ বাবে হোৱা ব্যয় মূলধনী ব্যয় বুলি ধৰা হ'ল আৰু দৈনন্দিন মেৰামতি ব্যয় ৰাজহ ব্যয় হিচাপে ধৰা হ'ল।
2. অৱক্ষয় ভৱিষ্যত পুঁজি হিচাপৰ ৰাহি উলিওৱাৰ বাবে 01.04.2002

মূল ব্যয় 01.04.2004 অত -	8,00,000 টকা
2000-01 আৰু 2001-02 বছৰৰ বাবে অৱক্ষয়=	3,20,000 টকা
20 % হাৰে 8,00,000 টকাৰ)	

3. 2002-03 বছৰৰ বাবে অৱক্ষয় তলত দিয়া ধৰণে নিৰূপণ কৰা হ'ল ঃ-

20% হাৰে 8,00,000 টকা	= 1,60,000 টকা
20% হাৰে 80,000 টকা	= 16,000 টকা
	= 1,76,000 টকা

4. লাভ-লোকচান হিচাপত ধৰিব লগা অৱক্ষয়ৰ পৰিমাণ ঃ-

2002-03 বছৰৰ বাবে (অৱক্ষয়)	= 1,76,000 টকা
মেৰামতি আৰু পৰিচালন ব্যয়	= 2,000 টকা

উদাহৰণ ঃ 11

মেছাৰ্ছ প্ৰিণ্টিং প্ৰেছে 2001চনৰ 1 এপ্ৰিলত 6,80,000 টকাৰে এটা ছপা যন্ত্ৰ কিনিলে। মূল ব্যয়ৰ ওপৰত 20% হাৰে অৱক্ষয় ধাৰ্য কৰিব লাগে। 2003 চনৰ 1 এপ্ৰিলত কাৰ্য দক্ষতা বৃদ্ধিৰ বাবে 70,000 টকা ব্যয় কৰি কিছু পৰিৱৰ্তন কৰা হ'ল। এই পৰিৱৰ্তনে ব্যৱহাৰযোগ্য জীৱন কাল বৃদ্ধি নকৰে। একে সময়তে অত্যন্ত প্ৰয়োজন হোৱা বাবে কিছুমান গুৰুত্বপূৰ্ণ অংশ 20,000 টকাৰে সলনি কৰা হ'ল। দৈনন্দিন প্ৰতিপালনৰ 2003-04 বাবে ব্যয় হ'ব 5,000 টকা।

2004 চনৰ বাবে যন্ত্ৰপাতি হিচাপ, অৱক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপ দেখুওৱা আৰু 2004 চনৰ 31 মাৰ্চৰ শেষ হোৱা বছৰৰ বাবে লাভ-লোকচান হিচাপত দেখুওৱা।

সমাধান

মেছাৰ্ছ প্ৰিণ্টিং প্ৰেছৰ বহীত

যন্ত্ৰপাতি হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2003 01 এপ্ৰিল	আগৰ পৰা উদ্বৃত্ত বেংক বেংক	— — —	6,80,000 70,000 20,000	2004 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	7,70,000
			7,70,000				7,70,000

অৱক্ষয় ভৱিষ্য ব্যৱস্থা হিচাপ

ডেঃ ক্ৰেঃ

তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)	তাৰিখ	বিৱৰণ	জাবেদা পৃঃ	পৰিমাণ (টকা)
2004 31 মাৰ্চ	উদ্বৃত্ত আগলৈ	—	4,38,000	2003 01 এপ্ৰিল	আগৰ পৰা উদ্বৃত্ত	—	2,72,000
				2004 31 মাৰ্চ	অৱক্ষয়	—	1,66,000
			4,38,000				4,38,000

টোকা ঃ (Working Notes)

1. পৰিৱৰ্তন ব্যয় আৰু উপাদান ব্যয় মূলধনী ব্যয় আৰু দৈনন্দিন মেৰামতি ব্যয় এবিধ ৰাজহ ব্যয়।
2. 1-04-03 ৰ বাবে অৱক্ষয় পুঁজিৰ হিচাপৰ উদ্বৃত্ত নিৰূপণ ঃ-

	টকা
2001 চনৰ 01 এপ্ৰিলত মূল ব্যয় =	6,80,000
2001-02 আৰু 2002-03 বছৰৰ বাবে অৱক্ষয় $\left(\frac{20}{100} \times 6,80,000\right)$ (13,6000 × 2) =	2,72,000

3. 2003-04 বছৰৰ বাবে অৱক্ষয় নিৰ্ধপণ ঃ

20% হাৰে 6,80,000 টকাৰ অৱক্ষয় =	1,36,000
$^1/_3$ ভাগ 90,000 টকাৰ অৱক্ষয় =	<u>30,000</u>
2003-04 চনৰ বাবে অৱক্ষয় =	1,66,000

4. লাভ-লোকচান হিচাপত দেখুৱাব লগা টকাৰ পৰিমাণ ঃ

অৱক্ষয় 2003-04 বছৰৰ বাবে =	1,66,000
মেৰামতি আৰু পৰিবহন ব্যয় =	<u>5,000</u>
মুঠ =	1,71,000

5. সংযোজন অংশৰ বাবে অৱক্ষয় নিৰ্ধপণ ঃ

$$= \frac{70{,}000\text{টকা} + 20{,}000\text{টকা}}{(5\text{-}2)\ \text{year}} = \frac{90{,}000}{3} = 30{,}000\ \text{টকা}$$

শাখা II

ভৱিষ্য ব্যৱস্থা আৰু সঞ্চিত পুঁজি (Provision and Reserve)

7.11 ভৱিষ্য ব্যৱস্থা (Provision)

কিছুমান ব্যয় বা খৰচ আছে, যিবোৰ চলিত হিচাপ বৰ্ষৰ লগত জড়িত। কিন্তু, যিহেতু পৰিশোধ কৰা হোৱা নাই সেয়েহে ইয়াৰ সঠিক পৰিমাণ ক'ব নোৱাৰি। সেয়েহে শুদ্ধ লাভ নিৰ্ধপণ কৰিবৰ বাবে এনেবোৰ বিষয়ৰ কাৰণে ভৱিষ্য ব্যৱস্থা কৰাটো প্ৰয়োজন। উদাহৰণ স্বৰূপে, যদি এজন ব্যৱসায়ীয়ে বাকীত পণ্য বিক্ৰী কৰে, তেন্তে এইটো জনা যায় যে, দেনাদাৰসকলৰ কিছুমানে সম্পূৰ্ণৰূপে বা আংশিকৰূপে পৰিশোধ নকৰিব পাৰে। সংৰক্ষণশীলতাৰ নীতি অনুসৰি, শুদ্ধ লাভ-লোকচান নিৰ্ধপণ কৰিবলৈ তেনে প্ৰত্যাশিত লোকচান হিচাপত ধৰিব নালাগে। সেয়েহে, দেনাদাৰৰ পৰা বাকী আদায় কৰোতে হ'ব পৰা লোকচানৰ বাবে সন্দেহজনক ঋণৰ ভৱিষ্য ব্যৱস্থা কৰি ৰখা হয়। একেদৰে স্থায়ী সম্পত্তিৰ মেৰামতি আৰু নৱীকৰণৰ বাবে মেৰামতি আৰু নৱীকৰণ ভৱিষ্য ব্যৱস্থা কৰিব পৰা যায়। ভৱিষ্য ব্যৱস্থাৰ উদাহৰণ হ'ল ঃ-

- অৱক্ষয়ৰ বাবে ভৱিষ্য ব্যৱস্থা।
- অনুদ্ধাৰণীয় আৰু সন্দেহজনক ঋণপুঁজিৰ বাবে ভৱিষ্য ব্যৱস্থা।
- কৰৰ বাবে ভৱিষ্য ব্যৱস্থা।

- দেনাদাৰৰ ওপৰত বাট্টাৰ বাবে ভৱিষ্য ব্যৱস্থা।
- মেৰামতি আৰু নবীকৰণৰ বাবে ভৱিষ্য ব্যৱস্থা।

মনত ৰাখিব লগীয়া কথা যে, খৰচ বা লোকচানৰ বাবে যি ব্যবস্থা কৰা হয়, সেইটো বৰ্তমানৰ আয়ৰ বিপৰীতে ধৰা হয়। ভৱিষ্য ব্যৱস্থাই প্ৰকৃত আয় আৰু ব্যয়ৰ সামঞ্জস্য ঘটায় আৰু শুদ্ধ লাভ নিৰূপণ কৰা যায়। ভৱিষ্য ব্যৱস্থা লাভ-লোকচান হিচাপত ডেবিট কৰা হয়। উদ্বৃত্ত পত্ৰত এই ব্যৱস্থা দুই ধৰণে দেখুওৱা হয়।

- সম্পত্তিৰ শিতানত নিৰ্দিষ্ট সম্পত্তিৰ পৰা বাদ দি দেখুওৱা হয়। উদাহৰণ স্বৰূপে- সন্দেহজনক ঋণ পুঁজিৰ বাবে ভৱিষ্য ব্যৱস্থা দেনাদাৰৰ পৰা বাদ দি আৰু অবক্ষয় ভবিষ্য ব্যৱস্থা নিৰ্দিষ্ট সম্পত্তিৰ পৰা বাদ দি দেখুওৱা হয়।
- দেনাৰ শিতানত চলিত দেনাৰ সৈতে— উদাহৰণস্বৰূপে- কৰৰ বাবে ব্যৱস্থা, মেৰামতি আৰু নবীকৰণৰ বাবে ব্যৱস্থা, আদি।

7.11.1 ভৱিষ্য ব্যৱস্থাবোৰৰ হিচাপকৰণৰ ব্যৱহাৰ (Accounting treatment of provision)

সকলো ধৰণৰ ভবিষ্য ব্যবস্থাৰ বাবে প্ৰায় একে ধৰণৰ হিচাপকৰণৰ ব্যবস্থা কৰা হয়। সেয়েহে কেবল সন্দেহজনক ঋণ পুঁজিৰ হিচাপ কৰণৰ বিষয়েহে ইয়াত আলোচনা কৰা হৈছে।

আগতে উল্লেখ কৰাৰ দৰে, বাকী লেন-দেন হোৱাৰ লগে লগেই দেনাদাৰৰ সৃষ্টি হয় আৰু উদ্বৃত্ত পত্ৰৰ সম্পত্তিৰ শিতানত চলিত সম্পত্তি হিচাপে দেখুওৱা হয়। এই দেনাদাৰ তিনি ধৰণৰ ঃ-

- ভাল দেনাদাৰ (Good debtors):- যি সকলৰ পৰা ঋণ আদায় পোৱাটো নিশ্চিত।
- অনুদ্ধাৰণীয় দেনা (Bad Debts) :- যি সকলৰ পৰা দেনা পোৱাটো অসম্ভৱ আৰু ইয়াক এটা নিৰ্দিষ্ট লোকচান হিচাপে ধৰা হয়।
- সন্দেহজনক দেনা (Doubtful Debt) :- যি সকল দেনাদাৰে ধাৰ পৰিশোধ কৰিবও পাৰে, কিন্তু, তেওঁলোকৰ পৰা সম্পৰ্ণ টকা পোৱাটো নিশ্চিত নহয়। অভিজ্ঞতাৰ পৰা দেখা যায় যে এওলোকৰ কিছু শতাংশই পৰিশোধ নকৰে। সেয়েহে ইয়াক সন্দেহজনক ঋণ বুলি কোৱা হয়। কিছুমান দেনাদাৰৰ পৰা ধাৰ নোপোৱাৰ বাবে যি লোকচান হয়, সেইটো বিবেচনা কৰিবৰ বাবে এটা সাধাৰণ পুঁজি ব্যৱস্থা কৰিব লাগে। তেনেকৈ, শুদ্ধ লাভ বা লোকচান উলিয়াবলৈ দেনাদাৰৰ ওপৰত এটা ভাল (Suitable) সন্দেহজনক

ঋণপুঁজি গঠন কৰিব লাগে। মুঠ দেনাদাৰৰ পৰা সকলো জ্ঞাত অনুদ্ধাৰণীয় ঋণ বাদ দি/অবলেপন কৰি যি ভাল দেনাদাৰ থাকে তাৰ ওপৰত এক নিৰ্দিষ্ট শতাংশলৈ সন্দেহজনক ঋণপুঁজি উলিওৱা হয়। সন্দেহজনক ঋণ পুঁজিক, সন্দেহজনক ঋণ আৰু অনুদ্ধাৰণীয় ঋণ পুঁজি বুলিও কোৱা হয়। প্ৰয়োজনীয় ব্যবস্থাখিনি লাভ-লোকচান হিচাপত ডেবিট কৰি আৰু সন্দেহজনক ঋণপুঁজি হিচাপত ক্ৰেডিট কৰি সৃষ্টি কৰা হয়।

সন্দেহজনক ঋণপুঁজি গঠনৰ বাবে তলত দিয়া জাবেদা প্ৰবিষ্টি দিয়া হয় ঃ

লাভ-লোকচানৰ হিচাপ ডেঃ (পুঁজিৰ পৰিমাণেৰে)
প্ৰতি সন্দেহজনক ঋণ পুঁজি হিচাপ

ইয়াক তলৰ উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা হ'ল

2005 চনৰ 31 মাৰ্চত ট্ৰেহান ট্ৰেডাৰ্চৰ বহীত উদ্বৃত্ত পত্ৰৰপৰা তলৰ বিষয়বোৰ লোৱা হ'ল ঃ-

তাৰিখ	বিবৰণ	খতিয়ন পৃঃসঃ	ডেবিট (টকা)	ক্ৰেডিট (টকা)
—	বিভিন্ন দেনাদাৰ —		68,000	0

অতিৰিক্ত তথ্য (Additional Information)

- অনুদ্ধাৰণীয় ঋণ হ'ল কিন্তু হিচাপ লিখা হোৱা নাই 8,000 টকা।
- দেনাদাৰৰ ওপৰত 10% ভৱিষ্য ব্যৱস্থা কৰিব লাগে।

তাৰিখ	বিবৰণ	খতিয়ন পৃঃসঃ	পৰিমাণ (টকা)	পৰিমাণ (টকা)
2005 31 মাৰ্চ	অনুদ্ধাৰণীয় ঋণ হিচাপত ডেঃ প্ৰতি দেনাদাৰৰ হিচাপ (অনুদ্ধাৰণীয় ঋণ অবলোপন কৰা হ'ল)	— —	8,000	8,000
31 মাৰ্চ	লাভ-লোকচানৰ হিচাপ ডেঃ প্ৰতি অনুদ্ধাৰণীয় ঋণ হিচাপ (অনুদ্ধাৰণীয় ঋণ লাভ-লোকচান হিচাপত ডেবিট কৰা হ'ল)	— —	8,000	8,000
31 মাৰ্চ	লাভ-লোকচানৰ হিচাপ ডেঃ প্ৰতি সন্দেহজনক ঋণ পুঁজি হিচাপ (সন্দেহজনক ঋণ পুঁজি গঠন কৰা হ'ল)	— —	6,000	6,000

টোকা *(Working Notes)*

সন্দেহজনক ঋণ পুঁজি দেনাদাৰ ওপৰত 10%

$$= (68,000-8,000) = 60,000 \times \frac{10}{100} = 6,000/-$$ টকা

7.12 পুঁজি (Reserve)

লাভৰ কিছু অংশ আচুতীয়াকৈ ৰাখি ব্যৱসায়ত জমা ৰখা হয়। যাতে, কিছুমান ভৱিষ্যতৰ নিৰ্দিষ্ট প্ৰয়োজন পূৰণ কৰিব পাৰি- যেনে— বিকাশ আৰু শ্ৰীবৃদ্ধিৰ বাবে বা ভৱিষ্যৎ আকস্মিক দেনাৰ (liability) প্ৰয়োজন পূৰণ কৰিব পাৰি- যেনে— কৰ্মচাৰীৰ ক্ষতিপূৰণ। ভবিষ্য ব্যৱস্থা হ'ল লাভৰ উপযোজন (appropriation) কৰি পুঁজি গঠন কৰা, যাতে, ব্যৱসায়ৰ বিত্তীয় অবস্থা শক্তিশালী কৰিব পাৰি। এই পুঁজি লাভৰ ওপৰত ধাৰ্য ব্যয় নহয়। কাৰণ, ভৱিষ্যৎ কোনো জ্ঞাত বা প্ৰত্যাশিত লোকচানৰ বাবে ইয়াক ৰখা নহয়। যিয়েই নহওক, লাভৰ পৰা পুঁজি আচুতীয়াকৈ ৰাখি থ'লে ব্যৱসায়ৰ মালিক সকলক ভগাই দিব লগা লাভৰ পৰিমাণ কমি যায়। ইয়াক, উদ্বৃত্তপত্ৰৰ দেনাৰ শিতানত ঠিক মূলধনৰ পিচতেই দেখুউৱা হয়। বিভিন্ন পুঁজিবোৰ হ'ল ঃ

- সাধাৰণ পুঁজি (General Reserve)
- কৰ্মচাৰীৰ ক্ষতিপুৰণ পুঁজি (Workmen Compensation fund)
- বিনিয়োগ তাৰতম্য পুঁজি (Investment fluctuation fund)
- মূলধনী পুঁজি (Capital reserve)
- লভ্যাংশ সমকাৰী পুঁজি (Dividend equalisation fund)
- ঋণপত্ৰ পৰিশোধ পুঁজি (Reserve for redemption of Debenture)

7.12.1 ***ভবিষ্য ব্যৱস্থা আৰু পুঁজিৰ মাজৰ পাৰ্থক্য*** *(Difference between Provision and Reserve*

ভবিষ্য ব্যবস্থা আৰু পুঁজিৰ মাজৰ মুল পাৰ্থক্যৰ ভিত্তি বোৰ তলত আলোচনা কৰা হ'ল ঃ

1 ***মূল প্ৰকৃতি*** *(Basic Nature)* ঃ ভবিষ্য ব্যবস্থা লাভৰ বিপৰীতে ব্যয় হিচাপে দেখুওৱা হয়। আনহাতে, পুঁজি লাভৰ উপযোজনহে মাথোন। সেয়েহে, সকলো ভবিষ্য ব্যবস্থা লাভ-লোকচান হিচাপত ডেবিট নকৰিলে শুদ্ধ বা প্ৰকৃত লাভ পোৱা নাযায়। আনহাতে পুঁজি শুদ্ধ লাভ নিৰূপণৰ পিছতহে গঠন কৰা হয়।

2. ***উদ্দেশ্য*** *(Purpose)* ঃ চলিত হিচাপ কালৰ লগত জড়িত কিছুমান জ্ঞাত দেনা বা ব্যয়ৰ বাবে ভবিষ্য ব্যবস্থা কৰা হয়। যদিও, সঠিক পৰিমাণ জনা নাযায়। আনহাতে, পুঁজি বিত্তীয় অৱস্থা শক্তিশালী কৰিবলৈ গঠন কৰা হয়। কিছুমান পুঁজি বাধ্যতামূলক।

3. ***উদ্বৃত্তপত্ৰত উপস্থাপন*** *(Presentation in the Balance Sheet)* ঃ ভবিষ্য ব্যৱস্থা দুই ধৰণে দেখুওৱা হয়। (a) সম্পত্তিৰ শিতানত নির্দিষ্ট স্থায়ী সম্পত্তিৰ পৰা বাদ দি দেখুওৱা হয় আৰু (b) দেনাৰ শিতানত চলিত দেনাৰ লগত। আনহাতে, পুঁজি দেনাৰ শিতানত মূলধনৰ পিছত দেখুওৱা হয়।

4. ***কৰযোগ্য লাভৰ ওপৰত প্ৰভাব*** *(Effect on taxable profit)* ঃ কৰযোগ্য লাভ উলিওৱাৰ আগতে ভৱিষ্য ব্যৱস্থা কৰা হয়। সেয়েহে, ই কৰযোগ্য লাভৰ পৰিমাণ কমায়। আনহাতে, পুঁজি, কৰ বাদ দিয়াৰ পাছত যি লাভ থাকে তাৰ ওপৰতহে গঠন কৰা হয়। সেয়ে ই কৰযোগ্য লাভৰ ওপৰত প্ৰভাব নেপেলায়।

5. ***বাধ্যবাধকতা*** *(Element of Compulsion)* ঃ সংৰক্ষণশীলতাৰ নীতি অনুসৰি শুদ্ধ লাভ বা লোকচান উলিয়াবলৈ ভবিষ্য ব্যৱস্থা কৰাটো প্ৰয়োজন। লাভ নহলেও ভৱিষ্য ব্যৱস্থা কৰিব লাগে। আনহাতে ব্যৱস্থাপনাৰ ইচ্ছাৰ ওপৰত পুঁজি গঠন কৰাটো নির্ভৰ কৰে। অৱশ্যে, কিছুমান বিশেষ পুঁজিৰ ক্ষেত্ৰত আইনে পুঁজি গঠন কৰাটো বাধ্যতামূলক কৰিছে। যেনে— ঋণপত্ৰ পৰিশোধ পুঁজি। অৱশ্যে লাভ নহ'লে পুঁজি গঠন কৰিব নোৱাৰি।

6. ***লভ্যাংশ পৰিশোধৰ বাবে ব্যৱহাৰ*** *(Use for the payment of Dividend)* ঃ ভবিষ্য ব্যবস্থা লভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি। আনহাতে, সাধাৰণ পুঁজি লভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

পাৰ্থক্যৰ ভেটি	*ভৱিষ্য ব্যবস্থা*	*পুঁজি*
1. মূল প্ৰকৃতি	লাভৰ বিপৰীতে ধৰা হয়।	লাভৰ বিনিয়োজন।
2. উদ্দেশ্য	ইয়াক চলিত হিচাপ কালৰ লগত জড়িত কোনো জ্ঞাত দেনা বা খৰচৰ বাবে ৰখা হয়। যদিও এই পৰিমাণ নিৰ্দ্দিষ্ট নহয়।	ইয়াক ব্যৱসায়ৰ বিত্তীয় অৱস্থা শক্তিশালী কৰিবলৈ গঠন কৰা হয়। কিছুমান পুঁজি আইনৰ দ্বাৰা বাধ্যতামূলক।
3. কৰযোগ্য লাভৰ ওপৰত প্ৰভাব	ই কৰযোগ্য লাভ কমায়।	ই কৰযোগ্য লাভৰ ওপৰত প্ৰভাব নেপেলায়।

4. উদ্বৃত্ত পত্ৰত উপস্থাপন	ইয়াক দুই ধৰণে দেখুৱা হয়। (i) সম্পত্তিৰ শিতানত নিৰ্দিষ্ট সম্পত্তিৰ পৰা বাদ দি দেখুৱা হয়। (ii) দেনাৰ শিতানত চলিত দেনাৰ লগতে দেখুউৱা হয়।	ইয়াক দেনাৰ দিশত দেখুউৱা হয়। ঠিক মূলধনৰ তলতে ইয়াক দেখুউৱা হয়।
5. বাধ্যবাধকতা	সংৰক্ষণশীলতাৰ নীতি অনুসৰি শুদ্ধ লাভ বা লোকচান নিৰূপ নকৰিবলৈ ইয়াক কৰাটো প্ৰয়োজনীয়। লাভ নহলেও ইয়াৰ ব্যৱস্থা কৰিব লাগে।	পুঁজি গঠন কৰাটো ব্যৱস্থাপনাৰ ইচ্ছাৰ কথা। লাভ নহলে পুঁজি গঠন কৰিব নোৱাৰি। কিছুমান ক্ষেত্ৰত আইনে নিৰ্দিষ্ট পুঁজি গঠন কৰিবলৈ নিৰ্দেশ দিছে। যেনে ঃ ঋণপত্ৰ পৰিশোধ পুঁজি।
6. লভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ	ইয়াক লাভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি।	ইয়াক লাভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

Fig. 7.4 : *ভৱিষ্য ব্যৱস্থা আৰু পুঁজিৰ মাজৰ তুলনা দেখুৱাইছে।*

7.12.02 পুঁজিৰ প্ৰকাৰ (Types of Reserve)

ব্যৱসায়ৰ লাভৰ পৰা আছুতীয়াকৈ ৰাখি পুঁজি গঠন কৰা হয়। এই পুঁজি দুই ধৰণৰ- সাধাৰণ পুঁজি আৰু বিশেষ পুঁজি।

1. *সাধাৰণ পুঁজি (General Reserve)* ঃ যেতিয়া পুঁজি গঠনৰ কোনো নিৰ্দিষ্ট উদ্দেশ্য নাথাকে তেনে পুঁজিকে সাধাৰণ পুঁজি বোলা হয়। ইয়াক মুক্ত (free) পুঁজি বুলিও জনা যায়। সেয়েহে, ব্যৱস্থাপনাই ইয়াক যিকোনো উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰে। সাধাৰণ পুঁজিয়ে ব্যৱসায়ৰ বিত্তীয় অৱস্থা শক্তিশালী কৰে।
2. *বিশেষ পুঁজি (Specific Reserve)* ঃ বিশেষ পুঁজি এনে এক পুঁজি যিবোৰ বিশেষ উদ্দেশ্যৰ বাবে গঠন কৰা হয় আৰু সেই বিশেষ উদ্দেশ্যতহে ব্যৱহাৰ কৰিব পাৰি। বিশেষ পুঁজিবোৰ তলত আলোচনা কৰা হ'ল ঃ-
   (i) *লভ্যাংশ সমকাৰী পুঁজি* ঃ এই পুঁজি লভ্যাংশৰ হাৰ স্থিৰ ৰাখিবলৈ গঠন কৰা হয়। লাভ বেছি হোৱা বছৰত, লাভৰ কিছু অংশ সমকাৰী পুঁজিলৈ স্থানান্তৰ কৰা হয়। লাভ কম

হোৱা বছৰত, লভ্যাংশৰ হাৰ স্থিৰ ৰাখিবলৈ ইয়াক ব্যৱহাৰ কৰা হ'ল।

(ii) *কৰ্মচাৰী ক্ষতিপূৰণ পুঁজি ঃ* এই পুঁজি দুৰ্ঘটনাৰ সময়ত কৰ্মচাৰীক দিব লগা ক্ষতিপূৰণৰ বাবে গঠন কৰা হয়।

(iii) *বিনিয়োগ তাৰতম্য পুঁজি ঃ* বজাৰ উত্থান-পতনৰ বাবে বিনিয়োগ মূল্য কমি গলে ইয়াক ব্যৱহাৰ কৰা হয়।

(iv) *ঋণপত্ৰ পৰিশোধ পুঁজি ঃ* ঋণপত্ৰ পৰিশোধ কৰিবৰ বাবে টকা যোগান ধৰিবলৈ ইয়াক গঠন কৰা হয়।

ইয়াক গঠন কৰা লাভৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি মূলধনী পুঁজি আৰু ৰাজহ পুঁজি এই দুটা ভাগত বিভক্ত কৰা হৈছে

(a) *ৰাজহ পুঁজি (Revenue Reserve)* ঃ ৰাজহ পুঁজি ৰাজহ লাভৰ পৰা গঠন কৰা হয়। এই লাভ ব্যৱসায়ৰ স্বাভাৱিক কাম-কাজৰ পৰা উদ্ভৱ হয়। ইয়াক মুকলিভাৱে লাভ্যাংশ বিতৰণত ব্যৱহাৰ কৰিব পাৰি। ৰাজহ পুঁজিবোৰ হ'ল ঃ

- সাধাৰণ পুঁজি (General Reserve)
- কৰ্মচাৰী ক্ষতিপূৰণ পুঁজি (Workmen Compensation fund)
- বিনিয়োগ তাৰতম্য পুঁজি (Investment fluctuation fund)
- লাভ্যাংশ সমকাৰী পুঁজি (Dividend equalisation fund)
- ঋণপত্ৰ পৰিশোধ পুঁজি (Debenture redemption fund)

(b) *মূলধনী পুঁজি (Capital Reserve)* ঃ মূলধনী পুঁজি মূলধনী লাভৰ পৰা গঠন কৰা হয়। এই লাভ সাধাৰণ ব্যৱসায়িক কাম-কাজৰ পৰা উদ্ভৱ নহয়। এই পুঁজি লভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি। এই পুঁজি কেৱল মূলধনী লোকচান অৱলেপন কৰিবলৈ বা কোম্পানীৰ ক্ষেত্ৰত বোনাছ চেয়াৰ বিলি কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। মুলধনী লাভ বা পুঁজিৰ উদাহৰণ হ'ল ঃ

- অংশপত্ৰ বা ঋণপত্ৰ অধিমূল্যত (premium) ত বিলি কৰিলে হোৱা লাভ।
- স্থায়ী সম্পত্তি বিক্ৰীৰ পৰা হোৱা লাভ।
- ঋণপত্ৰ পৰিশোধ কৰোঁতে হোৱা লাভ।
- স্থায়ী সম্পত্তি আৰু দেনাৰ পুণৰ মূল্যায়ণৰপৰা হোৱা লাভ।
- পঞ্জীয়নভুক্ত (incorporation) হোৱাৰ আগতে হোৱা লাভ।

7.12.3 ৰাজহ পুঁজি আৰু মূলধনী পুঁজিৰ মাজৰ পাৰ্থক্য (Difference between Revenue Reserve and Capital Reserve)

ৰাজহ পুঁজি আৰু মূলধনী পুঁজিৰ মাজৰ পাৰ্থক্যবোৰ তলত উল্লেখ কৰা হ'ল—

1. ***সৃষ্টিৰ উৎস** (Source of creation)* ঃ ৰাজহ পুঁজি ৰাজহ লাভৰ পৰা গঠন কৰা হয়। এই লাভ স্বাভাৱিক ব্যৱসায়ীক কাম-কাজৰ পৰা উদ্ভুত হয়। ইয়াক লভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি। আনহাতে, মূলধনী পুঁজি মূলধনী লাভৰ পৰা সৃষ্টি কৰা হয়। এই লাভ স্বাভাৱিক ব্যৱসায়ৰ কাম-কাজৰ পৰা উদ্ভৱ নহয়। সেয়ে ইয়াক লভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি। কিন্তু, ৰাজহ লাভৰ পৰা মূলধনী পুঁজি গঠন কৰিব পাৰি।
2. ***উদ্দেশ্য** (Purpose)* ঃ ৰাজহপুঁজি বিত্তীয় অৱস্থা শক্তিশালী কৰিবলৈ, অদৃশ্য সম্ভাব্য ব্যয় কৰিবলৈ বা অন্য বিশেষ উদ্দেশ্যৰ বাবে গঠন কৰা হয়। আনহাতে, মূলধনী পুঁজি আইনগত প্ৰয়োজন বা হিচাপ লিখনৰ ব্যৱস্থাৰ বাবে গঠন কৰা হয়।
3. ***ব্যৱহাৰ** (Usage)* ঃ বিশেষ পুঁজি কেবল বিশেষ উদ্দেশ্যৰ বাবেহে ব্যৱহাৰ হয়। সাধাৰণ পুঁজি যিকোনো উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি। আনকি লভ্যাংশ বিতৰণৰ বাবেও ইয়াক ব্যৱহাৰ কৰিব পাৰি। আনহাতে, মূলধনী পুঁজি কেৱল আইনে ধৰি দিয়া বিশেষ উদ্দেশ্যহে ব্যৱহাৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে মূলধনী লোকচান অবলেপন কৰাৰ বাবে বা বোনাচ চেয়াৰ বিলি কৰাৰ বাবে।

পাৰ্থক্যৰ ভেটি	*ৰাজহ পুঁজি*	*মূলধনী পুঁজি*
1. সৃষ্টিৰ উৎস	ৰাজহ পুঁজি ৰাজহ লাভৰ পৰা গঠন কৰা হয়। এই লাভ স্বাভাবিক ব্যৱসায়ীক কাম কাৰ্য্যৰ পৰা উদ্ভব হয়। ইয়াক লভ্যাংশ বিতৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।	মূলধনী পুঁজি মূলধনী লাভৰ পৰা গঠন কৰা হয়। এই লাভ সাধাৰণ ব্যৱসায়ীক কাম-কাজৰ পৰা উদ্ভব নহয় আৰু ইয়াক লভ্যাংশ বিতৰণত ব্যৱহাৰ কৰা নহয়। কিন্তু, ৰাজহ লাভৰ পৰা মূলধনী পুঁজি গঠন কৰিব পাৰি।
2. উদ্দেশ্য	ৰাজহ পুঁজি ব্যৱসায়ৰ বিত্তীয় অবস্থা শক্তিশালী কৰিবলৈ অদৃশ্য সম্ভাব্য ব্যয় কৰিবলৈ বা অন্য বিশেষ উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা হয়।	মূলধনী পুঁজি আইনৰ প্ৰয়োজন পুৰাবলৈ বা হিচাপ লিখনৰ ব্যৱস্থাৰ বাবে (practice) সৃষ্টি কৰা হয়।

3. ব্যৱহাৰ	বিশেষ উদ্দেশ্যৰ পুঁজি কেৱল বিশেষ উদ্দেশ্যৰ বাবে ব্যৱহাৰ হয়। সাধাৰণ পুঁজি যিকোনো উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি। আনকি, লভ্যাংশ বিতৰণৰ বাবেও ইয়াক ব্যৱহাৰ কৰিব পাৰি।	ইয়াক কেৱল আইনে বান্ধি দিয়া বিশেষ উদ্দেশ্যৰ বাবেহে ব্যৱহাৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে মূলধনী লোকচান অবলেঙ্গপন কৰিবৰ বাবে বা বোনাচ চেয়াৰ বিলি কৰাৰ বাবে।

Fig. 7.3 *মূলধনী পুঁজি আৰু ৰাজহ পুঁজিৰ মাজত পাৰ্থক্য।*

7.12.4. পুঁজিৰ গুৰুত্ব (Importance of Reserve)

ব্যৱসায় প্ৰতিষ্ঠানে নিজকে অজ্ঞাত খৰচ বা লোকচানৰ পৰিণতিৰ পৰা ৰক্ষা কৰিবলৈ কিছুমান ব্যবস্থা ল'ব পাৰে। এনে ধৰণৰ সম্ভাব্য খৰচ আৰু লোকচান ভবিষ্যতে বহন কৰিব লাগিব পাৰে। ভৱিষ্যতৰ সম্ভাব্য চাহিদা পূৰণৰ বাবে বা ব্যৱসায়ৰ উৎসৰ সংৰক্ষণ কৰিবলৈ মালিকে লাভ হিচাপে আহৰণ (Drawing) কৰা টকাৰ পৰিমাণ কমোৱাটো বাঞ্ছনীয় বুলি ধৰা হয়। উদাহৰণ স্বৰূপে— ব্যৱসায়ৰ কাম-কাজৰ পৰিসৰ বৃদ্ধিৰ বাবে বা আন কিবা প্ৰয়োজনীয় চাহিদা পূৰণৰ বাবে পুঁজিৰ ব্যৱস্থা কৰাটো আৱশ্যক। সেয়েহে, ব্যৱসায়ত এনে পুঁজিৰ ব্যৱস্থা কৰাটো যুক্তি যুক্ত। এনে ধৰণে আচুতীয়াকৈ পুঁজি গঠন কৰি ৰখা টকা তলৰ উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিব পাৰি ঃ

- ভবিষ্যতৰ সম্ভাব্য ব্যয় পুৰাবলৈ।
- ব্যৱসায়ৰ বিত্তীয় অবস্থা শক্তিশালী কৰিবলৈ।
- দীৰ্ঘকালীন ঋণ পৰিশোধ কৰিবলৈ। যেনে— ঋণপত্ৰ পৰিশোধ।

7.13. গোপন পুঁজি (Secret Reserve)

গোপন পুঁজি এনে এবিধ পুঁজি যিটো উদ্বৃত্ত পত্ৰত দেখুওৱা নহয়। ই প্ৰকাশ্য লাভৰ পৰিমাণ কমায় আৰু কৰৰ পৰিমাণো কমায়। দুৰ্দশাৰ (lean) সময়ত গোপন পুঁজি লাভৰ লগত যোগ কৰি বৰ্দ্ধিত লাভ দেখুৱাবলৈ ব্যৱহাৰ কৰিব পাৰে। ব্যৱসায়ীয়ে প্ৰয়োজনতকৈ বেছি অবক্ষয় দেখুৱাই গোপন পুঁজিৰ সৃষ্টি কৰিব পাৰি। যিহেতু এই পুঁজিৰ বিষয়ে বাহিৰৰ ব্যক্তিয়ে গম নাপায়, সেয়েহে ইয়াক গোপন পুঁজি বুলি কোৱা হয়। তলত দিয়া ধৰণেও গোপন পুঁজি গঠন কৰিব পাৰি ঃ

- সামৰণী মজুত পণ্য কম মূল্যত দেখুৱাই।
- মূলধনী ব্যয় লাভ-লোকচান হিচাপত দেখুৱাই।
- অত্যাধিক পৰিমাণে সন্দেহজনক ঋণৰ ব্যৱস্থা কৰি।

- প্ৰকৃত দেনা হিচাপে সম্ভাব্য দেনা দেখুৱাই।

প্ৰয়োজনীয়তা, দূৰদৰ্শিতা আৰু আন প্ৰতিষ্ঠানৰ লগত প্ৰতিযোগিতাত বৰ্তি থাকিবলৈ, যুক্তিসংগত সীমাৰ ভিতৰত গোপন পুঁজি গঠন কৰাটো বিবেচনা কৰিব পাৰি।

কি বুজিলা চোৱা - 5

1. তলত দিয়া বাক্যবোৰ শুদ্ধ নে অশুদ্ধ যুক্তি দৰ্শোৱা —

(i) অত্যধিক পৰিমাণে সন্দেহজনক ঋণপুঁজিৰ ব্যৱস্থা কৰিলে গোপন পুঁজিৰ সৃষ্টি হয়।

(ii) মূলধনী পুঁজি সাধাৰণতে মুকলি বা বিতৰণযোগ্য লাভৰ পৰা গঠন কৰা হয়।

(iii) লভ্যাংশ সমকাৰী পুঁজি এবিধ সাধাৰণ পুঁজিৰ উদাহৰণ।

(iv) সাধাৰণ পুঁজি কেৱল মাত্ৰ কিছুমান বিশেষ উদ্দেশ্যতহে ব্যৱহাৰ হয়।

(v) ভৱিষ্য ব্যৱস্থা (provision) এটা লাভৰ বিপৰীতে ব্যয়।

(vi) ভৱিষ্যত লোকচান পূৰাবলৈ বা ব্যয় কৰিবলৈ পুঁজিৰ গঠন কৰা হয় যিটোৰ পৰিমাণ নিশ্চিত নহয়।

(vii) পুঁজিৰ সৃষ্টিয়ে ব্যৱসায়ৰ কৰযোগ্য লাভৰ পৰিমাণ কমায়।

2. শুদ্ধ শব্দেৰে খালী ঠাইবোৰ পূৰ কৰা ঃ-

(i) অৱক্ষয় _____ মূল্য কমি যোৱাকে বুজায়।

(ii) প্ৰতিস্থাপন ব্যয়, ভাৰা আৰু পৰিবহন ব্যয়_____এটা অংশ।

(iii) ভৱিষ্য ব্যৱস্থা লাভৰ বিপৰীতে এবিধ_____।

(iv) এটা ভাল লভ্যাংশৰ হাৰ ৰক্ষা কৰিবলৈ কৰা পুঁজিক_____বোলে।

এই অধ্যায়ত ব্যৱহাৰ হোৱা কিছুমান দৰকাৰী শব্দ

- অৱক্ষয়, অৱক্ষয়যোগ্য ব্যয়, মুল ব্যয়, ব্যৱহাৰযোগ্য জীৱন কাল।
- ক্ষয়ীকৰণ, অপ্ৰচল, ক্ৰমশ পৰিশোধ (Amortization)
- বিক্ৰী মূল্য / বাকী থকা মূল্য / অৱশেষ মূল্য।
- অবলেপিত মূল্য / ক্ৰমহ্ৰাসমান উদ্বৃত্ত মূল্য / ক্ৰমহ্ৰাসমান মূল্য।
- সৰলৰৈখিক পদ্ধতি / স্থিৰ কিস্তি পদ্ধতি।
- সঞ্চিত অবক্ষয়, অবক্ষয় পুঁজি হিচাপ, পুঁজি, ভবিষ্য ব্যবস্থা, মূলধনী পুঁজি, ৰাজহ পুঁজি, সাধাৰণ পুঁজি, বিশেষ পুঁজি, গোপন পুঁজি, সন্দেহজনক ঋণপুঁজি।

শিকাৰ উদ্দেশ্যেসমূহৰ সাৰাংশ (Summary with reference to learning objectives)

1. ***অৱক্ষয়ৰ অৰ্থ*** ঃ স্পৰ্শনীয় স্থায়ী সম্পত্তিৰ মূল্য কমি যোৱাকে অবক্ষয় বোলে। হিচাপত অৱক্ষয় হৈছে স্থায়ী সম্পত্তিৰ অৱক্ষয়যোগ্য ব্যয়ৰ ইয়াৰ ব্যৱহাৰযোগ্য জীৱন কালত ভগাই দিয়া এটা প্ৰক্ৰিয়া মাথোন।
2. ***অৱক্ষয় আৰু একেজাতীয় শব্দবোৰ*** ঃ অৱক্ষয় শব্দটো স্পৰ্শনীয় স্থায়ী সম্পত্তিৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। ক্ষয়ীকৰণ শব্দটো খনিজাতীয় সম্পদৰ ক্ষেত্ৰত ব্যৱহাৰ হয়।

   অৱক্ষয় হোৱাৰ কাৰণসমূহ ঃ
   (a) ব্যৱহাৰজনিত ক্ষয়, এইটো ব্যৱহাৰ বা সময় অতিবাহিত হোৱাৰ বাবে হয় (wear and tear)
   (b) আইনগত অধিকাৰ শেষ হোৱাৰ বাবে (Expiration of legal rights)
   (c) অপ্ৰচলন (Obsolencence)
3. ***অৱক্ষয়ৰ গুৰুত্ব*** *(Importance of Depreciation)*
   (a) শুদ্ধ লাভ-লোকচান নিৰূপন কৰিবলৈ অৱক্ষয় ধাৰ্য কৰাটো প্ৰয়োজন।
   (b) অৱক্ষয় এবিধ অনগদ কাৰ্যকৰী ব্যয়।
4. ***অৱক্ষয় ধাৰ্য্য কৰাৰ পদ্ধতিবোৰ*** ঃ তলৰ পদ্ধতিৰ সহায়ত অৱক্ষয় উলিওৱা হয়-
   (a) সৰল ৰৈখিক পদ্ধতি।
   (b) অৱলোপন মূল্য পদ্ধতি।
5. ***অৱক্ষয়ৰ পৰিমাণক প্ৰভাৱ পেলোৱা উপাদানবোৰ*** *(factors affecting the amount of depreciation)*

   তলত দিয়া উপাদানৰ ওপৰতে অৱক্ষয়ৰ পৰিমাণ নিৰ্ভৰ কৰে ঃ-
   (a) মূল ব্যয় (original cost)
   (b) অৱশিষ্ট বা অৱশেষ মূল্য (Salvage Value) আৰু
   (c) সম্পত্তিৰ ব্যৱহাৰযোগ্য জীৱনকাল (useful life of the assets)
6. ***ভৱিষ্য ব্যৱস্থা আৰু পুঁজি*** *(Provision and Reserve)* : ভৱিষ্য ব্যৱস্থা লাভৰ বিপৰীতে দেখুওৱা হয়। যদিও সঠিক পৰিমাণ জনা নাযায়, তথাপি কিছুমান জ্ঞাত চলিত দেনা পৰিশোধৰ বাবে গঠন কৰা হয়। আনহাতে, পুঁজি হ'ল লাভৰ উপযোজন। ইয়াক ব্যৱসায়ৰ বিত্তীয় অৱস্থা শক্তিশালী কৰিবলৈ গঠন কৰা হয়।
7. পুঁজিৰ প্ৰকাৰ ঃ পুঁজি তলত দিয়া ধৰণৰ হ'ব পাৰে
   - সাধাৰণ পুঁজি আৰু বিশেষ পুঁজি।
   - ৰাজহ পুঁজি আৰু মূলধনী পুঁজি।
8. *গোপন পুঁজি (Secret Reserve)* : যেতিয়া মুঠ অৱক্ষয়ৰ পৰিমাণ মুঠ অৱক্ষয়যোগ্য ব্যয়তকৈ বেছি

হয়, তেতিয়া গোপন পুঁজিৰ সৃষ্টি হয়। গোপন পুঁজি উদ্বৃত্ত পত্ৰত দেখুওৱা নহ'ব।

অনুশীলনী

চমু উত্তৰ *ঃ- (Short answer)*

1. অৱক্ষয় কি?
2. অৱক্ষয় ধাৰ্য কৰাৰ প্ৰয়োজন কি চমুকৈ লিখা।
3. অৱক্ষয়ৰ কাৰণবোৰ কি কি?
4. অৱক্ষয়ৰ পৰিমাণক প্ৰভাব পেলাব পৰা মূল উপাদানবোৰ ব্যাখ্যা কৰা।
5. অৱক্ষয় নিৰূপণ কৰা সৰল ৰৈখিক পদ্ধতি আৰু অবলেপন মূল্য পদ্ধতিৰ মাজৰ পাৰ্থক্য দেখুউৱা।
6. দীৰ্ঘকালী সম্পত্তিৰ ক্ষেত্ৰত, মেৰামতি আৰু পৰিচালন ব্যয় আগৰ বছৰবোৰতকৈ পৰবৰ্তী বছৰবোৰত বেছি হয়। যদি ব্যৱসায়ীয়ে অৱক্ষয় আৰু মেৰামতিৰ বাবদ লাভ-লোকচান হিচাপত বেছি বোজা ল'ব নিবিচাৰে তেন্তে তুমি অৱক্ষয়ৰ বাবে কোনটো পদ্ধতি সুবিধাজনক বুলি ভাবা।
7. লাভ-লোকচান হিচাপ আৰু উদ্বৃত পত্ৰত অৱক্ষয়ৰ পৰিণতি/ফল কেনে।'
8. ভৱিষ্য ব্যবস্থা আৰু পুঁজিৰ মাজৰ পাৰ্থক্য লিখা।
9. ভৱিষ্য ব্যবস্থা আৰু পুঁজিৰ চাৰিটাকৈ উদাহৰণ দিয়া।
10. ৰাজহ পুঁজি আৰু মুলধনী পুঁজিৰ মাজৰ পাৰ্থক্য লিখা।
11. ৰাজহ পুঁজি আৰু মুলধনী পুঁজিৰ চাৰিটাকৈ উদাহৰণ দিয়া।
12. সাধাৰণ পুঁজি আৰু বিশেষ পুঁজিৰ পাৰ্থক্য লিখা।
13. গোপন পুঁজিৰ ধাৰণাটো ব্যাখ্যা কৰা।

দীঘলীয়া প্ৰশ্ন

1. অৱক্ষয় ধাৰণাটো ব্যাখ্যা কৰা। অৱক্ষয় ধাৰ্য্য কৰাৰ প্ৰয়োজন কি আৰু অৱক্ষয়ৰ কাৰণবোৰ কি কি?
2. সৰলৰৈখিক পদ্ধতি আৰু অৱলেপন মূল্য পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰা। ইহঁত দুটাৰ পাৰ্থক্য লিখা আৰু কেনে অবস্থাত ইহঁতক ব্যৱহাৰ কৰা হয়।
3. অৱক্ষয় লিখাৰ দুটা পদ্ধতি বহলাই ব্যাখ্যা কৰা আৰু প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টিবোৰ দিয়া।
4. অৱক্ষয়ৰ পৰিমাণ নিৰূপণ কৰা উপাদানবোৰ ব্যাখ্যা কৰা।
5. বিভিন্ন প্ৰকাৰৰ পুঁজিৰ নাম লিখি বহলাই ব্যাখ্যা কৰা।
6. ভৱিষ্য ব্যৱস্থাবোৰ কি কি? কেনেকৈ ইহঁতক সৃষ্টি কৰা হয়। সন্দেহজনক ঋণপুঁজিৰ হিচাপ

লিখনত ব্যৱহাৰ কি লিখা।

সাংখিক প্ৰশ্ন

1. 2001 চনৰ 1 এপ্ৰিলত বাজাজ মাৰ্বলচে 2,80,000 টকাৰে এটা যন্ত্ৰ কিনিলে আৰু পৰিবহন ব্যয়ৰ বাবদ 10,000 টকা আৰু প্ৰতিস্থাপন ব্যয়ৰ বাবদ 10,000 টকা খৰচ কৰিলে। যন্ত্ৰৰ আনুমানিক কাৰ্যকৰী জীৱনকাল 10 বছৰ। এই 10 বছৰ পিছত অৱশিষ্ট মূল্য হ'ব 20,000 টকা।
   - সৰল ৰৈখিক পদ্ধতি ব্যৱহাৰ কৰি প্ৰথম 4 বছৰৰ বাবে যন্ত্ৰপাতি হিচাপ, অৱক্ষয় হিচাপ আৰু অৱক্ষয় পুঁজি হিচাপ প্ৰস্তুত কৰা। হিচাপবৰ্ষ প্ৰতি 31 মাৰ্চত শেষ হয়।

   (উত্তৰ ঃ- (a) 2004 চনৰ 1এপ্ৰিলত যন্ত্ৰপাতি হিচাপৰ ৰাহি 1,28,000 টকা।
   - 2004 চনৰ 1এপ্ৰিলত অৱক্ষয় পুঁজি হিচাপৰ ৰাহি হ'ব 72,000 টকা।

2. 2001চনৰ 1 জুলাইত অশোক লিঃ 1,08,000 টকাৰে এটা যন্ত্ৰপাতি কিনিলে আৰু প্ৰতিস্থাপনৰ বাবদ 12,000 টকা খৰচ কৰিলে। ইয়াৰ কাৰ্যকৰী জীৱন কাল 12 বছৰ আৰু 12 বছৰ পাছত অৱশিষ্ট মূল্য হ'ব 12,000 টকা।
   প্ৰথম 3 বছৰৰ বাবে যন্ত্ৰপাতি হিচাপ আৰু অৱক্ষয় হিচাপ প্ৰস্তুত কৰা। অৱক্ষয় সৰল ৰৈখিক পদ্ধতি মতে অৱলেপন কৰা হয়। হিচাপ বৰ্ষ প্ৰতি বছৰে 31ডিচেম্বৰত শেষ হয়।
   (উত্তৰ যন্ত্ৰপাতি হিচাপৰ উদ্বৃত্ত হ'ব 01-01-03 চনত হব 97,500 টকা)

3. 2001 চনৰ 1 অক্টোবৰত 56,000 টকাৰে ৰিলায়েন্স লিঃ এটা পুৰণি যন্ত্ৰপাতি কিনিলে আৰু ইয়াক কাৰ্যক্ষম কৰিবলৈ ভঙা-পতাৰ বাবদ 28,000 টকা খৰচ কৰিলে। 15 বছৰ পিছত, ইয়াক 6,000 টকাত বিক্ৰী কৰিব পৰা যাব। তাৰোপৰি, এই 6,000 টকা আদায় কৰিবলৈ 1,000 টকা খৰচ হ'ব। প্ৰথম তিনি বছৰৰ বাবে যন্ত্ৰপাতি হিচাপ আৰু অৱক্ষয় পুঁজি হিচাপ প্ৰস্তুত কৰা। স্থিৰ কিস্তি পদ্ধতি অনুসৰণ কৰিব লাগে আৰু হিচাপৰ কাল প্ৰতিবছৰে 31 ডিচেম্বৰত শেষ হয়।
   (উত্তৰ- অৱক্ষয় পুঁজি হিচাপৰ উদ্বৃত্ত 01-01-04 অত 18,200 টকা)

4. বিৰ্লা লিমিটেডে 2001চনৰ 1 জুলাইত 56,000 টকাৰে এটা পুৰণি যন্ত্ৰ কিনিলে আৰু মেৰামতি আৰু প্ৰতিস্থাপন ব্যয়ৰ বাবে 24,000 টকা খৰচ কৰিলে আৰু 5,000 টকা পৰিবহন ব্যয় হ'ল। 2002 চনৰ 1চেপ্তেম্বৰৰ 2,50,000 টকাৰে আৰু এটা যন্ত্ৰ কিনিলে আৰু প্ৰতিস্থাপন ব্যয় 10,000 কৰিলে।

   (a) পতি বছৰে ডিচেম্বৰৰ 31 তাৰিখে মূল ব্যয় পদ্ধতি অনুসৰণ কৰি 10% হাৰে অৱক্ষয় ধাৰ্য কৰিব লাগে। 2001ৰ পৰা 2004বছৰকেইটাৰ বাবে যন্ত্ৰপাতি হিচাপ আৰু অৱক্ষয় হিচাপ প্ৰস্তুত কৰা।

   (b) প্ৰতি বছৰে 31ডিচেম্বৰত 10% হাৰে অৱলেপন মূল্য পদ্ধতি অৱক্ষয় ধাৰ্য কৰি 2001ৰ পৰা

2004চনলৈ যন্ত্রপাতি হিচাপ আৰু অবক্ষয় হিচাপ প্রস্তুত কৰা।

5. গংগা লিঃ 2001চনৰ 1জানুৱাৰীত 5,50,000 টকাৰে এটা যন্ত্র ক্রয় কৰিলে আৰু 50,000 টকা প্রতিস্থাপন ব্যয় কৰিলে। 2001চনৰ 1 ডিচেম্বৰত 3,70,000 টকাৰে আৰু এটা যন্ত্র কিনিলে। 2001চনৰ 1 মে'ত আৰু এটা যন্ত্র 8,40,000 টকাৰে কিনিলে (প্রতিস্থাপন ব্যয় ধৰি)
প্রতি বছৰে 31 ডিচেম্বৰত 10% হাৰে মূল ব্যয়ৰ ওপৰত অবক্ষয় ধৰিব লাগে।
   (a) 2001, 2002, 2003 আৰু 2004 এই বছৰ কেইটাৰ বাবে যন্ত্রপাতি হিচাপ আৰু অবক্ষয় হিচাপ প্রস্তুত কৰা।
   (b) যদি অবক্ষয় পুঁজি হিচাপ ৰখা হয়, তেন্তে 2001, 2002, 2003 আৰু 2004 চনৰ বাবে যন্ত্রপাতি হিচাপ আৰু অবক্ষয় পুঁজি হিচাপ প্রস্তুত কৰা।
   (উত্তৰ- (a) যন্ত্রপাতি হিচাপৰ উদ্বৃত্ত 01-01-05 চনত 12,22,666 টকা)
   (b) অবক্ষয় পুঁজি হিচাপৰ উদ্বৃত্ত 01-01-05 অত 5,87,335 টকা)

6. 2002 চনৰ 1 অক্টোবৰত আজাদ লিমিটেডে 4,50,000/- টকাৰে আচবাব কিনিলে। 2003 চনৰ 1 মার্চত 3,00,000 টকাৰে অন্য এটা আচবাব কিনিলে। 2004 চনৰ 1 জুলাইত, 2002 চনৰ 1 অক্টোবৰত কিনা আচবাবটো 2,25,000 টকাত বিক্রী কৰিলে। বছৰি 15% হাৰে অবলেপন মূল্য পদ্ধতিত অবক্ষয় ধার্য কৰিব লাগে। হিচাপৰ কাল বছৰি 31 মার্চত শেষ হয়। 31-03-03, 31-03-04 আৰু 31-03-05 অত অন্ত পৰা বছৰকেইটাৰ বাবে আচবাব হিচাপ আৰু সঞ্চিত অবক্ষয় পুঁজি হিচাপ প্রস্তুত কৰা। যদি আচবাব বিক্রয় হিচাপ থাকে, তেন্তে ওপৰৰ হিচাপ দুটা দেখুওৱা।
(উত্তৰ-আচবাব বিক্রীৰ পৰা হোৱা লোকচান 1,14,915 টকা অবক্ষয় পুঁজি হিচাপৰ উদ্বৃত্ত 31-03-05 অত 85,959 টকা)

7. মেচার্চ লোকেশ ফেব্রিক্সে 2001 চনৰ 1 এপ্রিলত এটা টেক্সটাইল যন্ত্র 1,00,000 টকাৰে কিনিলে। 2002 চনৰ 1 জুলাইত 2,50,000 টকাৰে আৰু এটা মেচিন কিনিলে। 2001 চনৰ 1 এপ্রিলত কিনা যন্ত্রটো 2005 চনৰ 1 অক্টোবৰত 25,000 টকাত বিক্রী কৰা হ'ল। কোম্পানীয়ে সৰল ৰৈখিক পদ্ধতিত বছৰি 15% হাৰে মূল ব্যয়ৰ ওপৰত অবক্ষয় ধার্য কৰে। 2006 চনৰ 31 ডিচেম্বৰত অন্তপৰা বছৰৰ বাবে যন্ত্রপাতিৰ হিচাপ আৰু যন্ত্রপাতি বিক্রয় হিচাপ প্রস্তুত কৰা।
(উত্তৰঃ- যন্ত্র বিক্রীৰ পৰা হোৱা লোকচানৰ পৰিমাণ 7,500 টকা, 2005 চনৰ 1 এপ্রিলত যন্ত্রপাতি হিচাপৰ উদ্বৃত্ত 1,09,375 টকা)

8. ক্রাইষ্টল লিঃ বহীত 2005 চনৰ 1 জানুৱাৰীত তলত দিয়া উদ্বৃত্তবোৰ পোৱা হ'ল ঃ-
যন্ত্রপাতি হিচাপ - 15,00,000 টকা

অৱক্ষয় পুঁজি হিচাপ- 5,50,000 টকা

2002 চনৰ 1 জানুৱাৰীত 2,00,000 টকাৰে কিনা যন্ত্রটো 2005চনৰ 1 এপ্রিলত 75,000 টকাত বিক্রী কৰা হ'ল। 2005 চনৰ 1 জুলাইত 60,000 টকাৰে আন এটা যন্ত্র কিনা হ'ল। সৰল ৰৈখিক পদ্ধতিত বছৰি 20% হাৰে যন্ত্রপাতিৰ ওপৰত অবক্ষয় ধৰিব লাগে। হিচাপবোৰ প্রতি বছৰে 31 ডিচেম্বৰত সামৰা হয়। 2005 চনৰ 31 ডিচেম্বৰত অন্ত পৰা বছৰৰ বাবে যন্ত্রপাতি হিচাপ আৰু অৰক্ষয় পুঁজি হিচাপ প্রস্তুত কৰা।

(উত্তৰঃ- যন্ত্রপাতি বিক্রীৰ পৰা হোৱা লাভ 5,000 টকা; 2005 চনৰ 31 মার্চত যন্ত্রপাতি হিচাপৰ উদ্বৃত্ত 19,00,000 টকা; 2005 চনৰ 31 মার্চত অবক্ষয় পুঁজি হিচাপৰ উদ্বৃত্ত 4,80,000 টকা।)

9. মেচাচ এক্সেল কম্পিউটাৰৰ 2000 চনৰ 1 এপ্রিলত কম্পিউটাৰ হিচাপত 50,000 টকা ডেবিট উদ্বৃত্ত আছিল। 2000 চনৰ 1 জুলাইত 2,50,000 টকাৰে আন এটা কম্পিউটাৰ কিনিলে। 2001 চনৰ 1 জানুৱাৰীত 30,000 টকাৰে আৰু এটা কম্পিউটাৰ কিনিলে। 2000 চনৰ 1 জুলাইত কিনা কম্পিউটাৰটো আপ্রচলন হোৱা বাবে 2004 চনৰ 1 এপ্রিলত 20,000 টকাত বিক্রী কৰিলে। 2004 চনৰ 1 আগষ্টত এটা নতুন ধৰণৰ IBM কম্পিউটাৰ 80,000 টকাত ক্রয় কৰিলে। 2001, 2002, 2003, 2004 আৰু 2005 চনৰ 31 ডিচেম্বৰত অন্ত পৰা বছৰ কেইটাৰ বাবে কোম্পানীৰ বহীত কম্পিউটাৰ হিচাপ দেখুউৱা। বছৰি 10% হাৰে সৰল বৈখিক পদ্ধতিত অৱক্ষয় ধার্য কৰিব লাগে।

(উত্তৰ ঃ- কম্পিউটাৰ বিক্রীৰ পৰা হোৱা লোকচান 1,36,250 টকা)

কম্পিউটাৰ হিচাপৰ ৰাহি 2005 চনৰ 31 মার্চত 80,583 টকা)

10. দ্রব্য (goods) পৰিবহন কোম্পানীয়ে 2001 চনৰ 1 এপ্রিলত প্রতিখনত 2,00,000/- টকাকৈ 5 খন ট্রাক ক্রয় কৰিলে। কোম্পানীয়ে প্রতি বছৰে 20% হাৰে অবক্ষয় ধার্য কৰে আৰু প্রতি বছৰে 31 ডিচেম্বৰত হিচাপ কাল শেষ হয়। 2003 চনৰ 1 অক্টোবৰত এখন ট্রাক দুর্ঘটনাত সম্পূর্ণৰূপে নষ্ট হ'ল। বীমা কোম্পানীয়ে ক্ষতিপূৰণ হিচাবে 70,000 টকা দিবলৈ সন্মত হ'ল। একে দিনাই কোম্পানীয়ে 1,00,000 টকাৰে এখন পুৰণি ট্রাক কিনিলে আৰু মেৰামতিৰ বাবদ 20,000 টকা খৰচ কৰিলে। 2003 চনৰ 31 ডিচেম্বৰত অন্তপৰা বছৰলৈ তিনি বছৰৰ বাবে ট্রাক হিচাপ আৰু অবক্ষয় পুঁজি হিচাপ প্রস্তুত কৰা? যদি ট্রাক বিক্রয় হিচাপ প্রস্তুত কৰা হয়, তেন্তে, ট্রাক হিচাপ কৰি দেখুৱা।

(উত্তৰ— ট্রাক বীমাৰ নিষ্পত্তিৰ পৰা হোৱা লোকচান 30,000 টকা 2003 চনৰ 31 ডিচেম্বৰত অৱক্ষয় পুঁজি হিচাপৰ উদ্বৃত্ত 4,46,000.00 টকা ট্রাক হিচাপৰ উদ্বৃত্ত 31-3-03 অত 9,20,000.00 টকা)

11. স্বৰস্বতী লিঃ 2001 চনত 1 জানুৱাৰীত 10,00,000.00 টকাৰে এটা যন্ত্র কিনিলে। 2002 চনৰ 1 মেত 15,00,000.00 টকাৰে আৰু এটা যন্ত্র কিনিলে 2004 চনৰ 1 জুলাইত 12,00,000.00 টকাৰে আৰু এটা যন্ত্র কিনিলে। 2001 চনৰ 1 জানুৱাৰীত কিনা মূল যন্ত্রপাতিৰ এটা অংশ 2,00,000.00 টকাৰে কিনা যন্ত্রটো 2004 চনৰ 31 অক্টোবৰত 75000.00 টকাত বিক্ৰী কৰিলে। 2001 চনৰ পৰা 2005 চনলৈ যন্ত্রপাতি হিচাপ; অবক্ষয় পুঁজি হিচাপ, আৰু যন্ত্র পাতি বিক্রয় হিচাপত প্রস্তুত কৰা। মূল ব্যয়ৰ ওপৰত বছৰি 10% হাৰে অৱক্ষয় ধাৰ্য কৰিব লাগে আৰু প্ৰতি বছৰে 31 ডিচেম্বৰত হিচাপ সামৰা হয়।
(যন্ত্রপাতি বিক্রীৰ পৰা হোৱা লোকচানৰ পৰিমাণ 58,333.00 টকা। 2005 চনৰ 31 ডিচেম্বৰত অবক্ষয় পুঁজি হিচাপৰ উদ্বৃত 11,30,000 টকা। 2005 চনৰ 31 ডিচেম্বৰত যন্ত্রপাতি হিচাপৰ উদ্বৃত্ত 35,00,000.00 টকা।

12. 2001 চনৰ 1 জুলাইত আশানিয়ে 2,00,000.00 টকাৰে বাকীত এটা যন্ত্র ক্রয় কৰিলে আৰু প্ৰতিস্থাপন ব্যয়ৰ বাবদ 25,000.00 টকাৰ চেক দিয়া হ'ল। আনুমানিক জীৱনকাল 5 বছৰৰ পিছত অৱশিষ্ট মূল্য 20,000.00 টকা। অৱক্ষয় সৰল ৰৈখিক পদ্ধতিত ধাৰ্য কৰিব লাগে। 2001 চনৰ বাবে জাবেদা প্ৰবিষ্টি দিয়া আৰু প্ৰথম তিনি বছৰৰ বাবে প্ৰয়োজনীয় হিচাপ কৰি দেখুওৱা।
(উত্তৰ ঃ যন্ত্রপাতি হিচাপত উদ্বৃত 31-12-03 ত 1,22,500.00 টকা।

13. লক্ষ্মী পৰিবহন কোম্পানীয়ে 2000 চনৰ 1 অক্টোবৰত 8,00,000.00 টকাৰে এখন ট্ৰাক কিনিলে। অবলোপণ পদ্ধতি অনুসৰি বছৰি 15% হাৰে ট্ৰাকৰ ওপৰত অবক্ষয় ধাৰ্য কৰিব লাগে। 2003 চনৰ 31 অক্টোবৰত 5,00,000.00 টকা ট্রাকখন বিক্রী কৰা হ'ল। প্রতি বছৰে 31 ডিচেম্বৰত হিচাপ শেষ হয়, 4 বছৰৰ বাবে ট্ৰাক হিচাপ প্রস্তুত কৰা।
(উত্তৰ - ট্রাক বিক্রীৰ পৰা হোৱা লাভ 55,548 টকা)

14. কপিল লিঃ 2001 চনৰ 1 জুলাইত 3,50,000.00 টকাৰে এটা যন্ত্র ক্রয় কৰিলে। কোম্পানীয়ে 2002 চনৰ 1 এপ্রিলত 1,50,000.00 টকাৰ আৰু 2002 চনৰ 1 অক্টোবৰত 1,00,000.00 টকাৰে দুটা যন্ত্র কিনিলে। সৰল ৰৈখিক পদ্ধতিত বছৰি 10% হাৰে অৱক্ষয় ধাৰ্য কৰিব লাগে। 2003 চনৰ 1 জানুৱাৰীত প্ৰথম যন্ত্রটো কাৰিকৰি পৰিৱৰ্তনৰ বাবে অপ্ৰচলন হৈ পৰিল। এই যন্ত্রটো 1,00,000.00 টকাত বিক্রী কৰা হ'ল। কেলেণ্ডাৰ বৰ্ষ ধৰি 4 বছৰৰ বাবে যন্ত্রপাতি হিচাপ প্রস্তুত কৰা।
(উত্তৰ ঃ যন্ত্রপাতি বিক্রীৰ পৰা হোৱা লোকচান 1,97,500.00 টকা। 01-01-05 ত যন্ত্রপাতিৰ হিচাপৰ উদ্বৃত 1,86,250.00 টকা)

15. 2001 চনৰ 1 জানুৱাৰীত চলকাৰ পৰিবহণ কোম্পানী লিঃ 10,00,000.00 টকাকৈ 3 খন বাছ কিনিলে। 2003 চনৰ 1 জানুৱাৰীত এখন বাছ দুৰ্ঘটনাত পতিত হ'ল আৰু বীমা কোম্পানীৰ পৰা সম্পূৰ্ণ

নিষ্পত্তিৰ বাবদ 7,00,000 টকা পোৱা হ'ল। বছৰি 15% হাৰে অবলেপন মূল্য পদ্ধতিত অবক্ষয় ধাৰ্য কৰিব লাগে। 2001 চনৰপৰা 2004 চনলৈ বাছ হিচাপ প্ৰস্তুত কৰা। প্ৰতি বছৰে 31 ডিচেম্বৰত হিচাপ শেষ হয়।

(উত্তৰঃ বীমাৰ দাবীৰপৰা হোৱা লাভ 31,687 টকা;
বাছ হিচাপত 01-01-05 তাৰিখত উদ্বৃত্ত 10,44,013 টকা

16. মুনেজা পৰিবহন কোম্পানীয়ে 2001 চনৰ 1 অক্টোবৰত 10,00,000/- টকাকৈ 2 খন ট্ৰাক কিনিলে। 2003 চনৰ 1 জুলাইত এখন ট্ৰাক দুৰ্ঘটনাত পতিত হ'ল আৰু বীমা কোম্পানীৰ পৰা 6,00,000 টকা ক্ষতিপূৰণ হিচাপে পোৱা হয়। 2003 চনৰ 31 ডিচেম্বৰত আৰু এখন ট্ৰাক দুৰ্ঘটনাত আংশীকভাৱে নষ্ট হয়। ট্ৰাকখন বীমা কৰা হোৱা নাছিল আৰু 1,50,000 টকাত বিক্ৰী কৰা হ'ল। 2004 চনৰ 31 জানুৱাৰীত কোম্পানীয়ে 12,00,000 টকাৰে এখন নতুন ট্ৰাক কিনিলে বছৰি 10% হাৰে অবলেপন মূল্য পদ্ধতিত অৱক্ষয় ধৰিব লাগে। প্ৰতি বছৰে 31মাৰ্চত হিচাপ শেষ হয়। 2001 চনৰ পৰা 2004 চনলৈ ট্ৰাক হিচাপ প্ৰস্তুত কৰা।

(উত্তৰঃ প্ৰথম ট্ৰাকৰ পৰী হোৱা লোকচান 1,41,000 টকা।
দ্বিতীয় ট্ৰাকৰ পৰা হোৱা লোকচান 5,53,000 টকা।
2004 চনৰ 31 মাৰ্চত ট্ৰাক হিচাপৰ উদ্বৃত্ত 11,80,000 টকা)

17. এটা কনষ্ট্ৰাকচন কোম্পানীৰ নৈদাত অৱস্থিত 5 খন ক্ৰে (Cranes) আছে। ইয়াৰ 2001 চনৰ 1 এপ্ৰিলত লিখিত মূল্য আছিল 40,00,000 টকা। 2001 চনৰ 1 এপ্ৰিলত 5,00,000 টকা মূল্যৰ এখন ক্ৰেন 10% লাভত 2001 চনৰ 1 অক্টোবৰত বিক্ৰী কৰা হ'ল। একেদিনাই কোম্পানীয়ে 4,50,000 টকাকৈ 2 খন ক্ৰেন কিনিলে। ক্ৰেনৰ হিচাপ প্ৰস্তুত কৰা প্ৰতি বছৰে 31 ডিচেম্বৰত হিচাপ সামৰা হয় আৰু 10% হাৰে অৱলেপন মূল্যৰ ওপৰত অবক্ষয় ধাৰ্য্য কৰিব লাগে।

(উত্তৰ— ক্ৰেন বিক্ৰীত হোৱা লাভ 47,500.00 টকা 2001 চনৰ 31 ডিচেম্বৰত ক্ৰেন হিচাপত উদ্বৃত্ত 41,15,000.00)

18. শ্ৰী কৃষ্ণন মেনফেকচাৰিং কোম্পানিয়ে 2001 চনৰ 1 জুলাইত যন্ত্ৰই প্ৰতি 75,000.00 টকাকৈ 10 টা যন্ত্ৰ কিনিলে ।2002 চনৰ 1 অক্টোবৰত এটা যন্ত্ৰ জুইয়ে ধ্বংস কৰিলে। ইয়াৰ বাবে বীমা কোম্পানীয়ে 45,000.00 টকা মঞ্জুৰ কৰিলে। একে দিনাই কোম্পানিয়ে 1,25,000.00 টকাৰ অন্য এটা মেচিন কিনিলে।

বছৰি 15% হাৰে অৱলেপন মূল্য পদ্ধতিত অবক্ষয় ধাৰ্য কৰা হয়। হিচাপ প্ৰতি বছৰে 31 ডিচেম্বৰত শেষ হয়। 2000 চনৰ পৰা 2003 চনলৈ যন্ত্ৰপাতিৰ হিচাপ প্ৰস্তুত কৰা।

(উত্তৰ ঃ বীমা দ্বাবীৰ নিষ্পত্তিৰ পৰা হোৱা লোকচান 77,735.00 টকা । যন্ত্ৰপাতি হিচাপৰ উদ্বৃত্ত 31-12-03 অত 63,393.00 টকা)

19. 2000 চনৰ 1 জানুৱাৰীত এটা সীমিত কোম্পানীয়ে 20,00,000.00 টকাৰে যন্ত্রপাতি কিনিলে। বছৰি 15% হাৰে ক্রমহ্রাসমান পদ্ধতিত অবক্ষয় ধার্য কৰা হয়। 2002 চনৰ 1 মার্চত 1/4 অংশ যন্ত্রপাতি জুইৰদ্বাৰা নষ্ট হ'ল আৰু সম্পূর্ণ নিস্পত্তিৰ বাবে বীমা কোম্পানিৰ পৰা 40,000.00 টকা পোৱা হ'ল। 2002 চনৰ 1 চেপ্তেম্বৰত কোম্পানিয়ে 15,00,000.00 টকাৰ এটা নতুন যন্ত্র কিনিলে।

2000 চনৰ পৰা 2002 চনলৈ যন্ত্রপাতি হিচাপ প্রস্তুত কৰা হিচাপ প্রতি বছৰে 31 ডিচেম্বৰত শেষ হয়।

(উত্তৰ ঃ বীমা নিষ্পত্তিৰ পৰা হোৱা লোকচান 12,219.00 টকা যন্ত্রপাতি হিচাপৰ উদ্বৃত্ত 01-01-03 অত 19,94,260 টকা।

20. 2000 চনৰ 1 জুলাইত এটা প্লান্ট 3,00,000.00 টকাৰে ক্রয় কৰা হ'ল। প্রতিস্থাপন ব্যয়ৰ বাবে 50,000.00 টকা ব্যয় কৰা হ'ল। বছৰি 15% হাৰে সৰল ৰৈখিক পদ্ধতিত অৱক্ষয় অৱলেপন কৰিব লাগে। 2002 চনৰ 1 অক্টোবৰত প্লান্টটো 1,50,000.00 টকাত বিক্রী কৰা হ'ল। একে দিনাই 4,00,000.00 টকাৰে এটা নতুন প্লান্ট ক্রয় কৰা হ' ল। প্রতি বছৰে 31 ডিচেম্বৰত হিচাপবোৰ সামৰা হয়।

3 বছৰৰ বাবে যন্ত্রপাতি হিচাপ আৰু অবক্ষয় পুঁজি হিচাপ প্রস্তুত কৰা।

(উত্তৰ ঃ প্লান্ট বিক্রীৰ পৰা হোৱা লোকচান 81,875.00 টকা, 2003 চনৰ 1 জানুৱাৰীত যন্ত্রপাতি হিচাপৰ উদ্বৃত্ত 15,000 টকা 2003 চনৰ 1 জানুৱাৰীত অৱক্ষয় পুঁজি হিচাপৰ উদ্বৃত্ত 15,000 টকা)

21. তাহিলিয়ান আৰু চন্‌ছৰ এন্টাৰ প্রাইজৰ হিচাপৰ বহীৰ পৰা 2005 চনৰ 31 ডিচেম্বৰত উদ্বৃত্ত পত্রৰ পৰা উঠাই দিয়া হ'ল।

হিচাপৰ নাম	ডেবিটৰ পৰিমাণ (টকা)	ক্রেডিটৰ পৰিমাণ (টকা)
বিভিন্ন দেনাদাৰ	50,000.00	....
অনুদ্ধাৰণীয় ঋণ	6000.00	
সন্দেহজনক ঋণ পুঁজি		4000.00

অতিৰিক্ত তথ্য ঃ

(i) 2000.00 টকা অনুদ্ধাৰণীয় ঋণ বুলি জনা গ'ল কিন্তু, হিচাপত লিখা নাই।

(ii) দেনাদাৰৰ ওপৰত 8% হাৰে অনুদ্ধাৰণীয় ঋণ পুঁজি ব্যৱস্থা কৰিব লাগে।

অনুদ্ধাৰণীয় ঋণ অৱলেপন (written off) কৰা আৰু সন্দেহজনক ঋণপুঁজি ব্যৱস্থা কৰাৰ বাবে প্রয়োজনীয় জাবেদা প্রবিষ্টি দিয়া। লগতে প্রয়োজনীয় হিচাপবোৰ দেখুওৱা।

(উত্তৰ ঃ নতুন ভবিষ্যত ব্যৱস্থা 3840.00 টকা আৰু লাভ লোকচান হিচাপত মুঠ হ'ব ঃ 7840.00 টকা)

22. মেচাচ নিষ্কা ট্ৰেডাৰ্চৰ বহীত 2005 চনৰ 31 ডিচেম্বৰত উদ্বৃত্ত পত্ৰৰপৰা তলৰ তথ্যবোৰ দিয়া হ'ল।

বিভিন্ন দেনাদাৰ -	80,500.00 টকা
অনুদ্ধাৰণীয় ঋণ -	1000 টকা
সন্দেহজনক ঋণ পুঁজি -	5,000 টকা

অতিৰিক্ত তথ্য ঃ

অনুদ্ধাৰণীয় ঋণ	500.00 টকা

দেনাদাৰৰ ওপৰত 2% হাৰে অনুদ্ধাৰণীয় ঋণ পুঁজি গঠন কৰিব লাগে। অনুদ্ধাৰণীয় ঋণ হিচাপ, সন্দেহজনক ঋণ পুঁজি হিচাপ, লাভ-লোকচানৰ হিচাপ প্ৰস্তুত কৰা।

(উত্তৰ - নতুন ভৱিষ্যত ব্যৱস্থা 1600.00 টকা, লাভ-লোকচানত ক্ৰেডিটৰ পৰিমাণ 1,900.00 টকা।

তুমি কি বুজিলা চোৱাৰ উত্তৰ

তুমি কি বুজিলা- কোৱা (I)

(ক) স্থায়ী সম্পত্তি, প্ৰাকৃতিক সম্পদ শেষ হোৱা, বিশেষ চুক্তিৰ ব্যৱসায়।

(খ) ক্ষয়ীকৰণ

তুমি কি বুজিলা- কোৱা (II)

1. T; 2. F; 3. F; 4. T; 5. T; 6. F; 7. T, 8. F; 9. F; 10. F;

তুমি কি বুজিলা- কোৱা (III)

যিবোৰ সম্পত্তিক কাৰিকৰি পৰিৱৰ্তনে প্ৰভাৱ পেলায় তেনেবোৰ সম্পত্তিৰ ক্ষেত্ৰত অৱলেপন মূল্য পদ্ধতি অতি সুবিধাজনক, তাৰোপৰি, এই পদ্ধতি আয়কৰ আইনৰ দ্বাৰা স্বীকৃত।

তুমি কি বুজিলা- কোৱা (IV)

1. (i) T; (ii) F; (iii) F; (iv) F;
   (v) T; (vi) F; (vii) F

2. (i) সম্পত্তি (ii) আহৰণ ব্যয় (acquisition cost)
   (iii) ভৰণি (Charge) (iv) লভ্যাংশ সমহাৰ পুঁজি।